চান্দমামা

জানুৱাৰি ১৯৯২



JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
Where finding out is fun
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 6/-
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

মৰমৰ অকণিহঁত!
তোমালোকে বাৰু জনী
জ'কাৰক নচুৱাব পাৰানে?
হয়, পাৰা!
কৰেচ-প্ৰিট
পাৰাৰৰ সহায়ত।
দেখি ভাল লগা
আটকধুনীয়া!
পৰিষ্কাৰ আৰু লেঠা নাইকিয়া!
কৰেচ প্ৰিট গ্লু ষ্টিক'এৰে কাম
কৰাৰ আনন্দ লোৱা। অতিকৈ
সহজ, পৰিষ্কাৰ আৰু খৰটকীয়া।
পনীয়া গমৰ দৰে লেঠা নবঢ়ায়।
কৰেচ প্ৰিট গ্লু ষ্টিক আৰু ৰংচঙীয়া
কাগজেৰে ধুনীয়া ধুনীয়া বস্তু সাজা। স্কুলৰ
কামৰ বাবে, আন শিল্পৰ বাবে, মা-দেউতা
আৰু বন্ধু-বান্ধৱক উপহাৰ দিবলৈও।
দুটা চাইজত পোৱা যায়:
18 গ্ৰাম আৰু 9 গ্ৰাম মুঠ
বিপণন:
কৰেচ
Pritt
SUPER
Glue Stick
Marketed by
Kores (India) Ltd.
Worli, Bombay 400018.
Kores
AKA/481/AS
বিনামূল্যে! জনী জ'কাৰ সজাৰ কৌশল: আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনালৈ: কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৱৰ্লি, বম্বে 400 018

Don't you owe the
See my tail
It's out of a
Fairy Tale
Nice 'n' funny
I'm a Bunny
Foxy is my name
But I'm oh-so tame
Your Bear Hugs
are warmer
than mine
Tonight y
Tomorr

little one a cuddles?
I can't chase no mice But I'm soft 'n' nice
Give the Li'l Panda a Handa
No carrots to eat But I'm a treat
ou hug me tight
ow I'll give you
a ride
CUDDLES
CHANDAMAMA TOYTRONIX

চান্দমামা

*

জানুৱাৰি ১৯৯২

এই * আছে

সংখ্যাত

*

শান্তিৰ উৎস-সন্ধানত	:	৭	নখচুকীয়া	:	৩৭
বিৰতিত ইতিহাস	:	৯	সকল কবি কবি নহয়	:	৪২
মূল মন্ত্ৰ	:	১১	বীৰ হনুমান	:	৪৫
ঢকা	:	১৬	উলুকাগাৰ প্ৰেম	:	৫৩
অপূৰ্ব-কাহিনী	:	১৭	বান্দৰাণী	:	৫৬
আবেগ আৰু বাস্তৱ	:	২৫	যোগ্য দৰা	:	৬১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

শান্তিৰ উৎস-সন্ধানত

আকৌ আহিল নতুন বছৰ। নতুন বছৰৰ আৰম্ভণীতে পৃথিৱীয়ে কিঞ্চিত আশাৰে পোহৰ দেখা পাইছে, যি আশাৰ আৰম্ভণী হৈছিল গ'ল বছৰতে। আমেৰিকাৰ প্ৰেজিডেণ্ট **জৰ্জ** বুশ্বে উপসাগৰীয় যুদ্ধত সাফল্যৰ অন্তত পৃথিৱীৰ ৰাজনৈতিক চিত্ৰত ভালেখিনি পৰিৱৰ্তনৰ সম্ভেদ দিছিল আমাক।

বিগত এবছৰলৈ উভতি চালে আমি---ছোভিয়েত ইউনিয়নৰ দৰে টান গাঁথনিৰ সংযুক্ত-ৰাষ্ট্ৰ খণ্ড-বিখণ্ড ৰূপ, লগতে যুগোশ্লাভিয়াৰ ৰাজনৈতিক বিৱৰ্তন, আৰু 'আন কিছুমান ক্ষুদ্ৰাতিক্ষুদ্ৰ দেশেও সাৰ্বভৌমতাৰ ঘোষণা কৰা, বিশ্বৰ শ্ৰেষ্ঠ শক্তিধৰসকলে তেওঁলোকৰ অস্ত্ৰ-শক্তি হ্ৰাস ইত্যাদি বিশ্বশান্তিৰ পদক্ষেপ লোৱা দেখা পাওঁ। কিন্তু আমি ইমানতে ৰ'মনে ?

এই বিষয়ে চীনদেশৰ প্ৰধানমন্ত্ৰী লি পেঙে পণ্ডিত জৱহৰলাল নেহৰু, প্ৰেজিডেণ্ট নাছেৰ আৰু মাৰ্শ্বাল টিটোই পালন কৰা গোষ্ঠী-নিৰপেক্ষ নীতি তথা পঞ্চশীলকে বিশ্বশান্তিৰ ভেটি-শিল বুলি মত প্ৰকাশ কৰিছে। ভূতপূৰ্ব ভাৰতীয় ৰাষ্ট্ৰদূত ড° ইন্দুপ্ৰকাশ সিঙে তাতোকৈ পৰিষ্কৃত ভাবে বলিষ্ঠ মত প্ৰকাশ কৰি আব্ৰাহাম লিন্‌কনৰ ৰাজনীতি, লেনিনৰ অৰ্থনীতি আৰু মহাত্মা গান্ধীৰ নৈতিকতাৰে বিশ্বত 'কো-অপাৰেটিভ্ কমনওৱেলথ' সৃষ্টিৰ আবেদন জনাইছে। ড° সিঙৰ বক্তব্য নিশ্চয়েই ভাবি চাবলগীয়া।

চান্দমামাই সদৌটিলৈ নতুন বছৰৰ শুভেচ্ছা জনাইছে।

বছৰ : ১৬   জানুৱাৰি ১৯৯২   সংখ্যা : ১০

খনে : ৪'০০টকা : বছৰেকীয়া বৰঙণি : ৪৮'০০ টকা



"मेरि" गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET

T.NAGAR, MADRAS - 600 017, PHONE: 444671

পৃথিৱীৰ খিৰিকীৰে

বিৱৰ্তিত ইতিহাস

যিগত ১৭ ছেপটে'মবাৰৰ দিনা সংযুক্ত ৰাষ্ট্ৰ সংঘৰ ৪৬তম অধিবেশনত সাতখন নতুন দেশক সদস্য হিচাপে মনোনীত কৰা হৈছে। এই সপ্ত দেশসমূহৰ মাজত বিশেষ ভাবে উল্লেখযোগ্য হ'ল: এস্তোনিয়া, লাটভিয়া আৰু লিথুৱানিয়া। এই ৰাজ্য তিনিওখন ছোভিয়েত ৰুশদেশৰপৰা বিচ্ছিন্নতাৰ যোগেদি স্বাধীনতা প্ৰাপ্ত হৈছে। অন্যান্য নতুন সদস্য দেশ হ'ল: উত্তৰ কোৰিয়া, দক্ষিণ কোৰিয়া, প্ৰশান্ত মহাসাগৰীয় দেশ মাইক্ৰ'নেশ্বিয়া তথা মাৰ্শেল দ্বীপপুঞ্জ।

ছোভিয়েত দেশৰপৰা বেলেগ হোৱাৰ লগে লগেই বাল্টিক ৰাজ্য তিনিওখনে ৰাষ্ট্ৰসংঘৰ সদস্যপদ আৰ্জিলে। এসময়ত ৰুশ্ সাম্ৰাজ্যৰ অন্তৰ্গত এই বাল্টিক ৰাজ্য তিনিখন ১৯১৭ চনৰ ৰুশ্-বিপ্লৱৰ কাল-ছোৱাত জাৰৰ অধিকাৰৰপৰা মুক্তি-লাভ কৰিছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ কালত ১৯৩৯ চনত ছোভিয়েত নেতা জোছেফ স্ট্যালিন আৰু জাৰ্মানিৰ নিয়ন্তা আডলফ হিটলাৰৰ মাজত হোৱা চুক্তিমতে ১৯৪০ চনত উক্ত ৰাজ্য তিনিউখনক পুনৰ ছোভিয়েতৰ সৈতে সাঙুৰি লোৱা হৈছিল। ছোভিয়েত অধিকাৰৰ পঞ্চাছ বছৰৰ অন্তত এই বাল্টিক ৰাজ্যসমূহ পুনৰ স্বাধীন হ'ল।

পোন প্ৰথমতে ১৯৯০ চনৰ মাৰ্চ মাহত লিথুৱানিয়াই ছোভিয়েতৰপৰা বিচ্ছিন্ন হোৱালৈ ঘোষণা কৰিছিল। যোৱা অগাস্ট মাহত প্ৰেজিডেণ্ট গৰবাচভ ৭০ ঘণ্টাৰ বাবে ক্ষমতাচ্যুত হৈছিল আৰু ঠিক তেতিয়াই লিথুৱানিয়াৰ সৈতে এস্তোনিয়া আৰু লাটভিয়ায়ো



নিজ নিজ স্বাধীনতা ঘোষণা কৰিছিল। গৰবাচভে যেতিয়া পুনৰ ক্ষমতা ঘূৰাই পালে। তেতিয়া তেওঁ এই বাল্টিক ৰাজ্যসমূহৰ স্বাধীনতাক মানি ল'লে।

এই স্বীকৃতিৰ লগে লগে বাল্টিক দেশসমূহে সংযুক্ত ৰাষ্ট্ৰসংঘৰ সদস্যপদৰ বাবে আবেদন প্ৰেৰণ কৰিলে আৰু সেই আবেদন গৃহীত হ'ল। এই দেশ তিনিখন ১৯১৭ চনৰপৰা ১৯৪০ চনলৈকে তদানীন্তন ৰাষ্ট্ৰসংঘৰ (লিগ অভ নেশ্যনছ) সদস্য আছিল। এইবাৰ পুনৰ স্বীকৃতি প্ৰাপ্য হোৱাৰ পাছত লাটভিয়াৰ প্ৰেজিডেণ্ট আনাতোলি গাৰ্বনোভে আনন্দ প্ৰকাশ কৰি কৈছে: বিশ্ব-ৰাষ্ট্ৰ সংঘাই দ্বিতীয় বিশ্বযুদ্ধৰ সেই চূড়ান্ত বিশৃংখলাৰ কাল-ছোৱাত তেওঁলোকৰ পৰিয়ালৰ যিকেইজন সদস্যক হেৰুৱাইছিল, সেইকেইজনক আজি পুনৰ ঘূৰাই পালে।"

সংযুক্ত ৰাষ্ট্ৰসংঘৰ অধিবেশনত এই তিনিও বাল্টিক দেশে তেওঁলোকৰ নিজ নিজ দেশৰপৰা অনতিপলমে ছোভিয়েত-সৈন্য আঁতৰাই লোৱাৰ দাবী উত্থাপন কৰিছে; কিন্তু—আৰ্থিক আৰু অন কিছুমান ৰাজকীয় কাৰ্য্যৰ ক্ষেত্ৰত ছোভিয়েতৰ সৈতে তেওঁলোক সাঙুৰি থকাৰো সদিচ্ছা প্ৰকাশ কৰিছে।



মূল মন্ত্ৰ

বীৰবাহুৰ পুতেক ধীৰছাহুও আছিল যথেষ্ট কৰ্মদক্ষ। ধীৰছাহুৱে তাৰ পিতাৰক দোকানৰ কামত সহায় কৰিছিল। বীৰবাহুৱে ভাবিছিল : এদিন-নহয়-এদিন ধীৰছাহু অন্যান্য বেপাৰীৰ দৰে ৰইনাইদি কোঁচাব পাৰিবই। বেহা-বেপাৰত তাৰ মোতোকৈ অধিক ৰাপ আছে। বীৰবাহুৱে পুতেক ধীৰছাহুক কৈছিল, "চোৱা, বোপা —মই বৰ বেছি আৰ্জিব নোৱাৰিলোঁ। মোৰ কোষ্ঠীত মোৰ ভাগ্যত বেছি আৰ্জন নাই। কিন্তু তুমি যদি আনবিলাকৰ দৰে আৰ্জিব পাৰা, মৰাৰ আগতে শান্তি পাম।"

এদিন চুবুৰীয়া গাঁৱৰপৰা বীৰবাহুৰ খুলশালিয়েক মোহন আহিল। ইকথা-সিকথাৰ মাজত মোহনে বীৰবাহুৰ মনৰ কথা জানিব পাৰি বীৰবাহুক ক'লে, "ভিনদেউ, মোৰ কথা শুনক, আপুনি যে বেছি আৰ্জিব পৰা নাই—তাৰ কাৰণে আপোনাৰ কোষ্ঠী বা ভাগ্য দায়ী নহয়, দায়ী হ'ল—মূলমন্ত্ৰ। অৰ্থাৎ—বেহবেপাৰত উন্নতি কৰিবলৈ হ'লে বেহাবেপাৰৰ মূল-মন্ত্ৰ জানি ল'ব লাগিব। আমাৰ গাঁৱত ভগৱানদাস নামৰ ভালৰো ভাল বেপাৰী এজন আছে। আমাৰ ধীৰছাহুক যদি ভগৱানদাসৰ দোকানত কাম কৰিবলৈ দিয়ে, সি বেহা-বেপাৰৰ আচল কিটিপ—সেই মূলমন্ত্ৰ জানিব, আৰু সি আগলৈ এজন ভাল বেপাৰী হ'ব পাৰিব।"

মোহনৰ কথাত বীৰবাহু সন্মত হ'ল আৰু পাছদিনাই ধীৰছাহুক লগত লৈ মোহন ভগৱানদাসৰ ওচৰলৈ গ'ল।

মোহনে ভগৱানদাসক ক'লে, "ভগৱান,

স্মৃতি সিংহ



এওঁৰ নাম ধীৰছাহু, মোৰ ভাগিন। নামত ধীৰ হ'লে কি হ'ব, কামত খৰ। তোমাৰ দোকানত ৰাখি ইয়াক বেহা-বেপাৰৰ কিটিপ-কৌশল অৰ্থাৎ মূলমন্ত্ৰ শিকাই দিবা—এয়ে মোৰ অনুৰোধ।"

এদিন ভগৱানদাসৰ দোকানলৈ আহি ভূষণ নামৰ গ্ৰাহকে এজনে ভাল মাটিমাহ আছেনে কি সোধাত ধীৰছাহুৱে ভাল মাটিমাহ দেখুৱালে, কিন্তু ভূষণে দোকান-খনৰ ইফালে-সিফালে চাই ক'লে, "ইয়াতোকৈ ভাল নাইনে ?"

"এয়ে আটাইতকৈ ভাল ইয়াতকৈ ভাল আৰু নাই।" ধীৰছাহুৱে ক'লে।

এই উত্তৰ শুনি ভূষণ গুচি যাবলৈ খোজ লোৱাৰ লগে লগে ভগৱানদাসে ধীৰছাহুক ক'লে, "কালি ৰাতি যে আমাৰ নতুন মাল আহিল, গুদামলৈ গৈ লৈ আহাচোন গৈ।"

ভগৱানদাসৰ কথা মতে ধীৰছাহুৱে গুদামৰপৰা মাটিমাহ আনিলে আৰু ভূষণে এই মাটিমাহ কিনি লৈ গ'ল।

তেতিয়া ধীৰছাহুৱে ভগৱানদাসক ক'লে, "দোকানত থকা আৰু গুদামত থকা মাটিমাহ একেইখিনি নহয় জানো ?"

ভগৱানদাসে ক'লে, "হয়। কিন্তু সকলো গ্ৰাহকেই যে বয়-বস্তু চিনি নাপায়—কথাটো আমি জানো। কিন্তু আমাৰ দোকানত থকাখিনিতকৈও ভাল বস্তু আছে বুলি তেওঁলোকে ভাবে। গতিকে—এনেবোৰ গ্ৰাহকক তুষ্ট কৰিবলৈ এই কৌশল আমি প্ৰয়োগ কৰোঁ। ভিতৰত থকা বস্তু' ভাল এয়ে তেওঁলোকৰ ধাৰণা। গতিকে—আমি তেওঁলোকেক তেওঁলোকৰ মনে-বিচৰা বস্তু দিওঁ, তেওঁলোকেও ভাল পাই কিনি লৈ যায়।"

অ.ন এদিন গিৰিধৰ নামৰ গ্ৰাহক এজনে বৰ খৰখেদা লগালেহি তেওঁক আগতেই বস্তু দিবলৈ। দোকানত তেতিয়া গ্ৰাহকৰ ভিৰ আছিল। গিৰিধৰে

—ধীৰছাহুক ক'লে, "মোক এতিয়াই বস্তুখিনি দিয়া, মোৰ খৰখেদা আছে।"

"কিন্তু আপুনি অহাৰ আগতে যিসকল আহিছে — তেওঁলোকক নিদিয়াকৈ আপোনাক দিওঁনো কেনেকৈ ?"

শুনি গিৰিধৰৰ খং উঠিল আৰু গুচি যাবলৈ যো-জা কৰি থাকিল।

চাই—ভগৱানদাসে মিঠাকৈ হাঁহি মাৰি গিৰিধৰক ক'লে, "এক মিনিট বহক আপুনি, আপোনাক এতিয়াই দিছোঁ।" ভগৱানদাসে চিঞৰি ক'লে, "ঐ—কোন আছ তাত—? গিৰিধৰ ডাঙৰীয়াৰ বস্তুখিনি এতিয়াই দেচোন—। আৰু—ভিতৰৰপৰা এলোটা ঠাণ্ডা পানী আনচোনগৈ —। ৰ'দত ভাগৰি-জুগৰি আহিছে—।"

শুনি গিৰিধৰ অতি তুষ্ট হ'ল, কষ্ট ভাব মিলাই গ'ল, তাতে বহি ৰ'ল, পানী-চুনি খালে, বিড়ি হুপিলে, দুই চাৰি ঘৰুৱা কথাও পাতিলে। আৰু পাছত—বস্তুখিনি লৈ ৰংমনে ঘোজ ল'লে।

ধীৰছাহুৱে ভগৱানদাসক সুধিলে, "ডাঙৰীয়া, গিৰিধৰৰ কথা-কাণ্ড মই একেবাৰেই বুজি নাপালোঁ। মোৰ কথা শুনি দাং খাই উঠি গুচি যাব ধৰিছিল, আৰু আপুনি তেওঁক চেৰ দেৰিকৈ বস্তু দিয়াতো তেওঁ দেখোন ৰং পাইছিল।

"ধীৰ, বোপা — কিছুমান গ্ৰাহক তেওঁলোকৰ মান-সন্মানৰ কথাত বৰ সজাগ। তেওঁলোকে সদায় প্ৰাধান্য বিচাৰে। এই ধৰণৰ গ্ৰাহকক সকলেটিৰ আগত কিঞ্চিত খোচামতি তথা চাটুৰ কথাৰে তুষ্ট কৰিব লাগে মাত্ৰ। পাছত যি কৰা—কৰা।" ভগৱানদাসে ধীৰছাহুক ধীৰে-শাঁতে ক'লে।

কেইদিনমানৰ পাছত চিত্তৰঞ্জন নামৰ গ্ৰাহক-এজনে ক'লেহি যে—তেওঁক কিছুখিনি বস্তু-বাহানি বাকীকৈ লাগে, পইচাপাতি সাতদিনৰ পাছতহে দিব। ধীৰছাহুৱে বাকীৰ হিচাপৰ বহীখন

উলিউৰাত ভগৱানদাসে ধীৰছাহুক ক'লে, "আমাৰ চিত্তৰঞ্জন ডাঙৰীয়াৰ নিচিনা মান্যগণ্য লোকৰ নাম বাকীৰ বহীত লিখিব নালাগে। তেওঁ নিজেই দি থৈ যাব।"

এই কথা শুনি, বস্তুখিনি লৈ, চিত্তৰঞ্জন তুষ্ট হৈ গুচি গ'ল আৰু তেতিয়া ভগৱানদাসে চিত্তৰঞ্জনৰ হিচাপ বাকীৰ বহীত লিখিলে।

ধীৰছাহুৱে ধীৰ কণ্ঠেৰে সুধিলে, "কথা কি—? এতিয়াই দেখোন—"

"এওঁৰ নাম হিচাপৰ বহীত লিখিবলৈ হাক দিছিলোঁ। নহয় জানো? ভগৱানদাসে ক'লে, "দেখ দেখকৈ নকৰি নেদেখ দেখকৈ কৰিলোঁ, তাৰে গ্ৰাহকেও ভাল পালে, আমাৰো কাম সিজিল। চিত্তৰঞ্জনে নিজেই দিব, কিন্তু যদিহে নিদিয়ে বা দিবলৈ পাহৰে—এই লিখাই কাম দিব। সাপো মৰিব লাঠিও নাভাঙিব।"

এইদৰে প্ৰায় এবছৰ পাৰ হ'ল। ভগৱানদাসে এদিন ধীৰছাহুক ক'লে, "তোমাক বেহা-বেপাৰৰ অনেক কিটিপ-কৌশল শিকালোঁ। এতিয়া শিকিবা—উঠনা খোৱাহঁতৰপৰা ধাৰ-বাকী আদায়ৰ কিটিপ। শুনা, আমাৰ গাঁৱৰ শিৰোমণি ঠাকুৰৰপৰা এশ টকা আদায় কৰিব লাগিব। আজিয়েই এবাৰ যোৱা।"

ধীৰছাহুৱে এবাৰ নহয়, দুই-তিনিবাৰ শিৰোমণি ঠাকুৰক লগ ধৰি দোকানৰ ধাৰ-বাকীৰ কথা সুধিলে, কিন্তু শিৰোমণিৰ শিৰ অলপো দোঁ নাখালে। আগৰ ধাৰ-বাকী পৰিশোধৰ কথা বাদেই, শিৰোমণি পুনৰ ভগৱানদাসৰ দোকানলৈ গ'ল, ভালেখিনি বস্তু- সামগ্ৰী বাকীকৈ বিচাৰিলে। ধীৰছাহুৱে শিৰোমণিক খাৰাংখাচ কৈ দিলে, "আগৰ বাকী পইচা নিদিয়ে যদি, আৰু মাল বস্তু দিয়া নহ'ব। আৰু—"

তেতিয়া ভগৱানদাসে হাত দাঙি

ধীৰছাহুক ৰখাই ক'লে, "শিৰোমণি ডাঙৰীয়া, লগাখিনি লৈ যাওক, পাওনা-খিনিও দিয়ক। আপোনাৰপৰা পাউনিৰ বাবে আমাৰ মনত কোনো চিন্তা—হওঁতে নাই। শুনিলোঁ— আপোনাৰ মজুজনী ছোৱালীৰ বিয়া পাতিছে। আগৰ পাওনাখিনি দিয়ক, তাইৰ বিয়াত যিমান যি লাগে লৈ যাওক।"

পাঁচদিনৰ অন্তত শিৰোমণি ঠাকুৰে আগৰ বাকীখিনি পৰিশোধ কৰিলে আৰু দহদিনৰ পাছত ছোৱালীৰ বিয়াৰ কাৰণে বস্তু নিবলৈ আহিল। তেতিয়া ভগৱানদাসে ক'লে, "আমাৰ কাৰবাৰৰ অৱস্থা ভাল নহয়, বেয়া নাপাব, বাকীকৈ একো দিব নোৱাৰিম। আপুনি অন্য দোকানৰপৰা লওকগৈ।"

শিৰোমণি ফেচামুৱাহেন হৈ গুচি যোৱাৰ লগে লগে ধীৰছাহুৱে ভগৱানদাসলৈ জিজ্ঞাসু আৰু অবাক দৃষ্টিৰে চালে।

ভগৱানদাসে মৃদুকৈ হাঁহি মাৰি ধীৰছাহুক ক'লে, "শিৰোমণি ঠাকুৰৰ ওচৰত দিবলৈ ধন নাই বুলি নাভাবিবা, দিবৰ মনহে নাই। এওঁলোকক ঠেকত পেলাই আদায় কৰাৰ বাহিৰে আৰু উপায় নাই।

এইদৰে উধাৰ-বাকী আদায়ৰ নানান কিটিপ শিকোৱাৰ অন্তত এদিন ভগৱানদাসে ধীৰছাহুক ক'লে, "বোপা, বেহা-বেপাৰৰ কিটিপ-কৌশল শিকিলা, মূলমন্ত্ৰও জানিলা বুলিয়েই ক'ব পাৰি। বেহা-বেপাৰত ধৰি থাকিলে আৰু ভালকৈ জানিবা। মূলমন্ত্ৰ থূলমূলকৈ: বেহা-বেপাৰ কৰিলে—যাৰ শিতানেদিও যাব নালাগে, তাৰ ভাৰি-পথানেদিও যাব লাগে। বছ। ইমানেই।"

ভগৱানদাসৰ উপদেশ সাৰোগত কৰি আগলৈ ধীৰছাহুৱে তাৰ পিতাক বীৰবাহুৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰিছিল।



টকা

সুদীপে কাছাৰীত চাকৰি এটা পালে। নিযুক্তিৰ প্ৰথম দিনাই কাছাৰীৰ অন্য এজন কৰ্মচাৰী সুৰেশে সুদীপক ক'লে, "বন্ধু সুদীপ, তুমি ইয়াত নতুন। ইয়াৰ মানুহবিলাকৰপৰা খুব সাৱধান হৈ থাকিবা। কোনোবাই ধাৰ-ধুৰ খুজিলে নিদিবা। কিয়নো—ধাৰ লোৱাত আছে, শুজাতহে নাই। কথাটো মনত ৰাখি চলিবা ইয়াত।"

সময়ৰ লগে লগে সুৰেশৰ সৈতে সুদীপৰ বন্ধুতা কটকটীয়া হ'ল। সুদীপে সুৰেশৰ সিদিনাৰ সেই কথা মনত ৰাখিছিল যে—ধাৰলৈ টকা কোনোবাই ল'লে আৰু ঘূৰাই নিদিব। কিন্তু বহুদিন পাৰ হোৱা সত্বেও কোনো এজনেও টকা ধাৰলৈ নিবিচাৰিলে।

এদিন বজাৰলৈ যাওঁতে সুৰেশে সুদীপকো লগত লৈ গ'ল। সুৰেশে দোকানৰপৰা বহুতো কিবাকিবি কিনাত টক কিছু কম পৰিল। তেতিয়া সুৰেশে সুদীপক ক'লে, "বন্ধু, টকা কিছু কম পৰিল। পঞ্চাছটা টকা দিব পাৰিবানে? কালিলৈ ঘূৰাই দিম।"

সুদীপে টকা পঞ্চাছটা দিলে।

তাৰ পাছত বহু দিন পাৰ হ'ল। সুদীপে সুৰেশৰপৰা সেই টকা পঞ্চাছটা তেতিয়ালৈকো নাপাই—সুৰেশে কেতিয়াকৈ টকাখিনি দিব বুলি ইমুখ-সিমুখ লাগি সুধিলে।

তেতিয়া সুৰেশে ক'লে, "কেনেকুৱা কথা কৈছানো? ইয়াত কাৰোবাক টকা ধাৰলৈ দিলে পৰিশোধ কৰাৰ আশা নাই বুলি মই তোমাক আগতেই কোৱা নাছিলোঁনে? এতিয়া এইদৰে পেঘেনীয়াই নাথাকিবা, টকাৰ কাৰণে টকলিয়াই নাথাকিবা। কথাতে বোলে—ধাৰলৈ দি টকা, নাথালে হৈছে ঢকা।"

অপূৰ্ব কাহিনী

৯

[আগৰ কথা : অগ্নিবালক অপূৰ্বই সেই অপহৃত পাঁচটি ল'ৰা আৰু সমীৰৰ সহায়তাৰে শিলাদ্বীপৰ জলদস্যুইঁতৰ লুটি অনা ধনখিনি—জলদস্যুইঁতেই সিহঁতৰ মাৰ-নাৱতে বোজাই কৰা ধনখিনিৰে সৈতে শিলাদ্বীপ পৰিত্যাগ কৰি তাৰপৰা নিৰাপদে গুচি আহিল। তেতিয়া সেই জলদস্যুইঁত মদৰ ৰাগীত অচেতন হৈ শিলাদ্বীপতে পৰি আছিল। সেই ডলফিনবিলাকে অৰ্থাৎ গণ্ডমীনবিলাকে এইবাৰো অপূৰ্বইঁতক যথেষ্ট সহায় কৰিলে এই ধন লৈ পলায়ন কৰাৰ কামত। চোৰক যে মোৰে পালে, লুটিয়াৰইঁতে টলকিবই নোৱাৰিলে। আৰু তাৰ পাছত···]

দেশৰ ৰজাই যে সমীৰ আৰু সেই অপহৃত পাঁচজন ল'ৰাৰো বাহাদুৰিৰ তথা সাহসৰ শলাগ লৈছিল—এই কথা দেখাই দেখিছিল, নেদেখাই শুনিছিল, আৰু তাৰ পাছত সেই ল'ৰাহঁত পুনৰ কোনোবা দ্বীপৰপৰা অহা শুনি সিহঁতক চাবলৈ সাগৰৰ তীৰলৈ বুলি দলে দলে মানুহ ঢপলিয়াই গৈ আছিল।

মাৰ-নাওখন তেতিয়াও সাগৰৰ তীৰৰপৰা বহু দূৰত। সাগৰৰ বুকু ফালি ফালি সমীৰ আৰু সেই ল'ৰা পাঁচোটি মাৰ-নাও চলাই অতি দ্রুতগতিৰে আহি থাকিল। সাগৰ-তীৰত এঠাইত আছিল ৰাজকীয় উদ্যান। সেই উদ্যানত দেশৰ ৰজাই কেতিয়াবা বিশ্ৰাম লৈছিলহি। এতিয়াও ৰজাই তাতেই ৰৈ আছিল এই দুঃসাহসী

ল'ৰাহঁতৰ বাট চাই। এই ল'ৰাহঁতৰ প্ৰতি, বিশেষকৈ সমীৰৰ প্ৰতি ৰজা আছিল পৰম আস্থাৱান। কিন্তু এইবাৰ যে এই ল'ৰাকেইটি কি কামত ক'লৈ গৈছিল, ৰজায়ো নাজানিছিল। সেইহে, তেওঁ তাত গোট খোৱা ৰাইজৰ মাজত কিছুমানক সুধিলে, "এই ল'ৰাহঁত কি কামত ক'লৈ গৈছিল—তোমালোকে এই সম্পৰ্কে কিবা জানানে?"

"নহয়, মহাৰাজ! আমি নাজানো।" ৰাইজে ক'লে।

বহু দূৰৰপৰা অপূৰ্বই সাগৰতীৰত গোট খোৱা মানুহক দেখা পাই সমীৰক ক'লে, "সমীৰ, মই এতিয়া যাওঁগৈ। তোমালোকে মহাৰাজক ক'বা যে এই ধন-সোণখিনি তেওঁ দুখীয়া ৰাইজৰ দুখ-কষ্ট গুচাবৰ তথা অন্যান্য মংগলকৰ কামত ব্যৱহাৰ কৰে যেন।"

অপূৰ্বই সিহঁতক এৰি গুচি যাব—এই কথাত সমীৰ ব্যথিত হোৱাৰ কথা বুজি পাই অপূৰ্বই সমীৰক ক'লে, "বন্ধু, ধৈৰ্য্যৰে চলি থাকিবা, সদায়—কুশলে থাকিবা। এই ধন-সোণ মণি—মুকুতা হীৰা-জহৰত পাই সেই লুটিয়াৰবিলাকৰ কথা পাহৰি নাথাকিবা। মহাৰাজক ক'বা লুটিয়াৰ-হঁতক শিলাদ্বীপৰপৰা ইয়ালৈ লৈ আহে যেন তেওঁ। সিহঁতক তেওঁ সেই নিৰ্জন শিলাদ্বীপৰ অসহায়ভাৱে মৰাৰপৰা সত্বৰ-মতে ৰক্ষা কৰে যেন।"

এই বুলি কৈয়েই অপূৰ্বই জাঁপ মাৰি এটা ডলফিনৰ অৰ্থাৎ গণ্ডমীনৰ পিঠিত উঠি বহিল আৰু তাৰপৰা নিমিষতে অদৃশ্য হৈ পৰিল।

চাওঁতে চাওঁতে সমীৰহঁতো তীব্ৰ গতিৰে মাৰ-নাও চলাই সাগৰতীৰ পালেহি।

সমীৰে মহাৰাজক নমস্কাৰ কৰিলে আৰু শিলাদ্বীপৰ ঘটনাৰ পৰিপূৰ্ণ বিবৰণ তথা ধন-ৰত্ন প্ৰাপ্তিৰ সংবাদো প্ৰদান

কৰিলে। মহাৰাজ মাৰ-নাৱৰ কাষ চাপিল আৰু ধন-ৰত্নৰ পৰিমাণ চাই হতবাক হ'ল। মহাৰাজে ক'লে যে এই বিপুল ধন-ৰত্নেৰে তেওঁ দেশৰ দুখীয়াইঁতৰ বাবে বিভিন্ন কল্যাণমূলক কাৰ্য্য কৰিব। কিন্তু এই কাৰ্য্যত সমীৰেও বুদ্ধি-পৰামৰ্শ দিব লাগিব তেওঁক।

"মহাৰাজ! এই ধন-ৰত্ন আপোনাৰ প্ৰাসাদত থৈ দিয়া হ'লে ভাল হ'ব, তাত সুৰক্ষিত থাকিব।" সমীৰে ক'লে।

"ভাল বাৰু, সেয়ে হ'ব।" মহাৰাজে সমীৰক ক'লে।

"আৰু এটা বিশেষ কথা আছে, মহাৰাজ!"

"কোৱাঁ।"

"শিলাদ্বীপত যিবিলাক লুটিয়াৰ চেৰাপ খাই অচেতন হৈ পৰি আছে সিবিলাকক তাৰপৰা লৈ আহিব লাগে।" সমীৰে ক'লে।

"কিয়? সিহঁতকেইটা তাতে থাকিলে কি বেয়া?" তাতেই থাকক সিহঁত।

"তাত তেনেকৈ থাকিলে সিহঁত নাখাই মৰিব, মহাৰাজ।" সমীৰে ক'লে।

"তাৰপৰা ইয়ালৈ লৈ আহিলেও দেখোন মৰিবই, তাত মৰিব প্ৰকৃতিৰ হাতত, ইয়াত মৰিব আমাৰ হাতত। ইহঁত যে আমাৰ আইনমতে মৃত্যুদণ্ড প্ৰাপ্ত হ'ব, সেই কথাত অলপো সন্দেহ নাই।"

নাও লৈ সেই লুটিয়াৰহঁতৰ নাৱত উঠি, লগতে শিলাদ্বীপলৈ বুলি ৰাওনা হ'ল। সমীৰ আৰু সেই ল'ৰা পাঁচজনকো চিপাহচালাৰে তেওঁৰ লগত ল'লে।

শিলাদ্বীপ পাই চিপাহচালাৰে অৰ্থাৎ চিপাদাৰে সমীৰলৈ চাই সুধিলে, "সমীৰ, নাও ক'ত ৰখাম ?"

সমীৰে সাগৰৰ পাৰত বিৰাট বিৰাট শিলকেইচটামানলৈ আঙুলিয়ালে আৰু নাও দুয়োখন সেই পিনে তীব্ৰগতিৰে আগুৱানলৈ ধৰিলে।

হঠাৎ এচটা প্ৰকাণ্ড শিল উৰি পৰিলহি নাৱৰ কাষত সাগৰৰ পানীত। চিপাহীহঁতে ঘূৰি চাবলৈ নৌপাওঁতেই আন কেচটামান শিলো উফৰি পৰিলহি তাত। তেতিয়া চিপাহচালাৰে অৰ্থাৎ চিপাদাৰে ক'লে, "লুটিয়াৰ-ডাকুহঁতে আমাক ঘূৰাই আক্ৰমণৰ কৰিছে!" তাৰ পাছত চিপাহচালাৰে নাৱৰ ওপৰত থিয় হৈ নেদেখা লুটিয়াৰহঁতক উদ্দেশি ক'লে, তোমালোক যিমানেই যুঁজ দিয়া, আমাৰপৰা তোমালোক সাৰি যাব নোৱাৰিবা। তোমালোক মুঠেই পাঁচজন, আৰু আমি পঞ্চাছজনতকৈও অধিক। গতিকে—আত্মসমৰ্পণ বিনে তোমালোকৰ উপায় নেদেখোঁ, আৰু—আত্মসমৰ্পণ

এই কথা কোৱাৰ পাছত কেইমুহূৰ্তমান নিৰৱ হৈ থকাৰ অন্তত পুনৰ ক'লে, "ঠিক আছে, তথাপি তোমাৰ যেতিয়া ইচ্ছা হৈছে—মই সিহঁতকেইটাক শিলাদ্বীপৰপৰা লৈ অহাৰ বন্দবস্ত কৰিম।" তাৰ পাছত মহাৰাজে তেওঁৰ দেহৰক্ষীহঁতৰ চৰ্দাৰক এই বিষয়ে বুজাই কৈ ৰাজধানীলৈ পঠালে।

শিলাদ্বীপৰ ধন-ৰত্ন ৰজাৰ প্ৰাসাদলৈ লৈ যোৱা হ'ল।

সেইদিনাই দুপৰীয়াৰ পৰতে পঞ্চাছজন চিপাহী লগত লৈ ৰজাৰ চিপাহচালাৰ অৰ্থাৎ চিপাদাৰে আন এখন

কৰা যদি—তোমালোকৰ দণ্ডও লঘু হ'ব। মোৰ কথা শুনা, আত্মসমৰ্পণ কৰা। নহ'লে কিন্তু তোমালোকৰ ভাগ্যত কেৱল মৃত্যুদণ্ডহে "আছে।" চিপাহচালাৰে এইদৰে সাৱধান কৰিলে লুটিয়াৰহঁতক।

কিন্তু তথাপি সিহঁতে শিল দলিয়ায়েই থাকিল। শিল দলিউৱাৰ পৰিমাণ কমক ছাৰি ক্ৰমাত বাঢ়িহে থাকিল।

"এতিয়া—চলোৱা!"

চিপাহচালাৰে আদেশ জাৰী কৰাৰ লগে লগে সেই নেদেখা লুটিয়াৰহঁতলৈ টোঁৱাই একেলগে পঞ্চাছটা বিষাক্ত কাঁড় চিপাহীহঁতে মাৰি পঠিয়ালে। তেতিয়া শিল-দলিউৱাও বন্ধ হ'ল, নাও দুখন ধীৰে-সুস্থীৰে নঙৰ কৰা হ'ল।

চিপাহচালাৰে সমীৰক ক'লে, "তুমি আৰু তোমাৰ বন্ধুকেইজন এই নাৱতে লুকাই বহি থাকিবা। চাবা, ডাকু-লুটিয়াৰহঁতে তোমালোকক দেখা নাপায় যেন। আমি সিহঁতকেইটাক ধৰি লৈ আহোঁগৈ।" এই বুলি কৈ চিপাহচালাৰে চিপাহীবিলাকক লৈ নাৱৰপৰা নামি শিলাদ্বীপত ভৰি দিলে।

শিলাদ্বীপত নামিয়েই চিপাহচালাৰে লুটিয়াৰহঁতক উদ্দেশি পুনৰ সাৱধানবাণী উচ্চাৰণ কৰিলে। কিন্তু চিপাহচালাৰৰ এই কথাৰ কোনো উত্তৰ লুটিয়াৰহঁতে নিদিলে। চিপাহীহঁতে ওখ ওখ শিলৰ

উচপ খাই উঠিল আৰু ইফালে-সিফালে চাবলৈ ধৰিলে।

আকৌ সেই মাত শুনা গ'ল:

"সমীৰ!"

এইবাৰ সমীৰে এচটা শিলৰ ওপৰত অপূৰ্বক থিয় হৈ থকা দেখা পালে।

অপূৰ্বই ক'লে, "এই দ্বীপৰ পূৱ দিশৰ এটা ডাঙৰ গুহাৰ ভিতৰত জলদস্যুহঁত লুকাই আছে। তুমি তোমালোকৰ চিপাহচালাৰক কথাটো কোৱাগৈ। তেওঁ ইহঁতক ধৰাত অলপো পলম নকৰে যেন।"

সমীৰে দপাটৃকৈ নাৰৰপৰা জঁাপ মাৰি নামি আহিল আৰু সি দৌৰি দৌৰি চিপাহচালাৰৰ কাষ চাপিল।

চিপাহচালাৰে সমীৰক ক'লে, "তোমাক মই নাৰৰপৰা নানামিবলৈ কোৱা নাছিলোঁনে? ইয়াত—সকলোতে বিপদে জোপ লৈ আছে, বোপা!" চিপাহ-চালাৰৰ মাতত সমীৰলৈ মৰম ফুটি উঠিল।

"ওঁ, আপোনাৰ কথা সঠিক। কিন্তু —এটা বিশেষ সংবাদ আপোনাক দিবলৈ আহিবলগা হ'লোঁ। সেই ডাকু-লুটিয়াৰ-হঁত এই দ্বীপৰ পূবদিশত থকা এটা প্ৰকাণ্ড গুহাৰ ভিতৰত লুকাই আছে—এই খবৰটো দিবলৈ বাধ্যত পৰিয়েই আহিলোঁ, বেয়া নাপাব। এতিয়া

ওপৰত উঠি চাৰিওফালে চায়ো লুটিয়াৰ-হঁতৰ কোনো উৱাদিহ নাপালে।

"ইহঁতকেটা নিশ্চয় কোনোবা গুহাৰ ভিতৰতে আছে।" চিপাহচালাৰে ক'লে আৰু চিপাহচালাৰৰ আদেশমতে চিপাহী-বিলাকে পাঁচজনীয়া একোটা দল হৈ লুটিয়াৰহঁতক দ্বীপৰ অ'ত-ত'ত বিত বিতকৈ বিচাৰিবলৈ ধৰিলে।

সমীৰ আৰু সেই ল'ৰা পাঁচজনে নাৰতে লুকাই থাকি এই সকলো কথা-কাণ্ড চাবলৈ ধৰিলে।

"সমীৰ!"

মন্থ অথচ স্পষ্ট মাত এবাৰ শুনি সমীৰ

RAZI

চিপাহীহঁতক কওক—জল্‌দি জল্‌দি এই ডাকু-লুটিয়াৰহঁতক গুহাৰপৰা বিচাৰি উলিয়াবলৈ।” সমীৰে চিপাহচালাৰক বুজাই ক’লে।

সমীৰে যে মিছা কথা কোৱা নাই। চিপাহচালাৰে উপলব্ধি কৰিলে। যি কি নহওক—অযথা পলম নকৰি চিপাহ-চালাৰে কিছুমান চিপাহীক লগত লৈ শিলাদ্বীপৰ পূবদিশলৈ সেই গুহা বিচাৰি উলিয়াবলৈ গ’ল।

অতি সহজতে চিপাহীবিলাকে গুহাটো আৰু গুহাটোৰ ভিতৰত থকা লুটিয়াৰহঁতকো বিচাৰি উলিয়ালে আৰু গুহাৰ দুৱাৰমুখ থিয় হৈ চিপাহচালাৰে গমগমীয়া মাতেৰে লুটিয়াৰহঁতক উদ্দেশি ক’লে, “এতিয়া আৰু তোমালোকৰ কোনো উপায় নাই। আমাৰ মহাৰাজৰ শৰণ লৈ আত্মসমৰ্পণ কৰা, নহ’লে যমৰ শৰণ লৈ মৰণলৈ সাজু হোৱা।”

“মৰণ? …হা হা হাঃ! …মৰণত শৰণ কোনে ল’ব—সময়েহে ক’ব। যদি গুহাৰ ভিতৰলৈ কোনো মূৰুখে এখোজো দিয়াৰ চেষ্টা দিয়ে—জিন্দা থকাৰ আশা নৰখাকৈয়েই দিয়ে যেন। খব—দাঁৰ!” লুটিয়াৰহঁতৰ চৰ্দাৰে গুৰুগম্ভীৰ কণ্ঠেৰে ক’লে।

চিপাহচালাৰে ক’লে, “আমাৰ ওচৰত অতি বিষাক্ত সাপ আছে। তোমালোক যদি গুহাৰপৰা একমিনিটৰ ভিতৰত ওলাই নাহা, এই বিষাক্ত সাপ আমি গুহাৰ ভিতৰলৈ এৰি দিম।”

তেতিয়া লুটিয়াৰহঁত এটা এটাকৈ গুহাৰপৰা ওলাই আহিল আৰু মূৰৰ ওপৰত হাত দাঙি দাঙি ক’লে, “হুজুৰ! আমি আত্মসমৰ্পণ কৰিছোঁ!”

ৰজাৰ চিপাহীবিলাকে মুহূৰ্তেকো পলম ন’কৰি লুটিয়াৰ কেইটাক কটকটীয়াকৈ ৰছীৰে বান্ধি পেলালে। [আগলৈ

আবেগ আৰু বাস্তৱ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছত ওলমি থকা মৰা শ'টো নমাই আনি কান্ধত পেলাই লৈ নিকপকপীয়া এন্ধাৰৰ মাজেদি-নিৰল-নিস্তব্ধ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্, কিছুমানে চকু থাকিও খালত পৰাৰ দৰে কাম কৰে। তোমাৰ এনে অপাৰ পৰিশ্ৰমৰ ফলও তেনেকুৱা নহয় যেন—তাৰ প্ৰতি মন কৰিবা। ভাল-বেয়া ওচ-মোচ আদিলৈ লক্ষ্য কৰি যি কৰা কৰিবা, নহ'লে তোমাৰো সেই কাঠকটীয়াৰ ছোৱালী উষাৰ জীৱনত ঘটা ঘটনাৰ দৰে ঘটনা ঘটিব পাৰে। উষাৰ কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ কিছু উপকাৰ হ'ব।" এই বুলি কৈ বেতালে কৈ থাকিল:

'বেতাল-কথা'

পাহাৰগঞ্জ নামৰ গাঁৱৰ সীমা-মূৰিয়লিত বহু দূৰ দূৰণিলৈকে বিয়পা অৰণ্যৰ একাষত এটি পঁজা ঘৰত এজন কাঠকটীয়া আৰু তাৰ উষা নামৰ গাভৰু ছোৱালী এজনী বাস কৰিছিল।

এই সুদীৰ্ঘ অৰণ্যৰ সিমূৰত আছিল উষাৰ আইতাক। উষাৰ ককাকৰ মৃত্যুৰ পাছত উষৰ আইতাক তাত অকলেই থকা—মেলা কৰিছিল।

এদিন কাঠকটীয়াই তাৰ ছোৱালী-জনীক অৰ্থাৎ উষাক ক'লে, "আই, তই এবাৰ তোৰ আইতাৰাৰ ওচৰলৈ যা গৈ, চাই আহচোনগৈ—কেনে আছে?"

"কিন্তু—যাম যে—তোমাৰ খোৱা-বোৱাৰ কি হ'ব?" উষাজনীয়ে তাইৰ দেউতাকক ক'লে।

"এহ্! মোৰ খোৱা-বোৱাৰ কাৰণে পিথিৱীৰ সকলো বন্ধ হৈ থাকিবনে? তই ওলাচোন। কালিলৈয়েই যা তালৈ। পোন্ধৰ দিনমান থাকিবি, তেৱোঁ ভাল পাব, তয়ো ভালেই পাবি।" কাঠকটীয়াই উষাক ক'লে।

পাছদিনা উষা যেতিয়া আইতাকলৈ বুলি ৰাওনা হ'ল, তেতিয়া ঘৰত যিমান ঘৰচীয়া চৰাই আছিল, আটাইবোৰেই উষাৰ পিছ ল'লে। কিন্তু উষাই সিহঁত-বিলাকক খেদি পঠালে আৰু কেৱল অতিকৈ মৰমৰ মইনা এজনীক লগত ল'লে।

বেলিয়ে যেতিয়া লাহ দিলে, তেতিয়াহে উষাই তাইৰ আইতাকৰ ঘৰ পালেগৈ। আৰু তেতিয়াহে দেখা পালে যে—মইনাজনী বাদেও আন দুজনীয়ে তাইৰ পিছে পিছে আহি পাইছেহি।

তেতিয়া উষাৰ আইতাকে ৰুটি সেঁকি আছিল।

মইনাজনীয়ে বুঢ়ী আইতাকৰ পানীৰ কলহটোৰ ওপৰত বহি কৈ উঠিল,

“আমি তোমাৰ কুটুম আহিছোঁ, আৰু কিছুখিনি ৰুটি বনোৱা !”

মইনাজনীৰ কথা শুনি বুঢ়ীয়ে--বুজি পালে যে তেওঁৰ নাতিনীয়েক উষা আহিল। তেওঁ ঘৰৰপৰা ওলাই গৈ সোলা মুখৰ হাঁহি মাৰি উষাক ক'লে, “আহ আহ—কিমান দিনৰ পাছত যে আহিলি! ইমান দিনৰ পাছতহে মনত পৰিলনে ?”

“কি কৰিম কোৱা, মই ঘৰত সোমাই নাথাকিলে দেউতাই খাব কি ল'ব কি ?” উষাই ক'লে।

“ঠিক, ঠিকেই কৈছ। তোৰ দেউতাৰৰ খবৰ কি। ভালেই আছে নহয় ? তোৰ বিয়া-চিয়া দেউতাৰে পাতিবনে মইহে পাতিব লাগিব ক'চোন ?” বুঢ়ীয়ে হাঁহি হাঁহি সুধিলে।

“ওঁ—তুমি কোনোবা এটা জংঘলী বান্দৰৰ লগতহে মোক দিবা।” উষায়ো হাঁহি হাঁহি ক'লে।

ঘৰৰ ভিতৰত তিনিখন পুৰণা তক্তাপোচ দেখি উষাই আচৰিত মানি সুধিলে, “আইতা, ইয়াত তিনিখন তক্তাপোচ কিয় ? ককাৰ দেখোন—এখনহে আছিল ?”

“সেয়া বহুত কথা। আগতে গা-পা ধুই তপতে তপত ৰুটি খাহি, পাছতো

ক'ম বাৰু।” আইতাকে ক'লে।

গা-পা ধুই আহি গৰম গৰম ৰুটি খাই থাকোঁতে আইতাকে কৈ থাকিল :

কোনোবা এখন দেশৰ ৰাণীয়ে একে লগে তিনিজন সন্তান প্ৰসৱ কৰি ঢুকাল। তিনিওটি সন্তানেই আছিল পুত্ৰসন্তান। ৰাজকোঁৱৰহঁতৰ নাম যথাক্ৰমে—জয়, অজয়, আৰু বিজয়। ৰজাই ৰাজকোঁৱৰহঁতক ভালকৈ বিদ্যাশিক্ষা কৰালে। তাৰ পাছত—মহাৰাজ যেতিয়া প্ৰায় বৃদ্ধাৱস্থা প্ৰাপ্ত হ'ল—তেতিয়া এই তিনিও ৰাজকোঁৱৰৰ মাজত কাক সিংহাসনত অধিষ্ঠিত কৰিব—ভাবি উলিয়াব নোৱাৰি

কিঞ্চিত বিপাওত পৰা যেন পালে।

মহাৰাজে ৰাজকোঁৱৰহঁতক ক'লে যে—সিহঁতৰ মাজত যিজনে চপ্ কৰে বিয়া কৰাই বোৱাৰী আনিব পাৰিব, সৰ্বপ্ৰথমে যিজনে বিয়া কৰাব, তাকেই তেওঁ ৰজা পাতিব।

কিন্তু মহাৰাজৰ এই প্ৰস্তাৰতো ৰাজ কোঁৱৰহঁত অলপো উৎসাহিত নহ'ল। সিহঁতে মহাৰাজক কিছুদিনৰ পাছত এই কথা ক'লে যে—কোনো ছোৱালীক সিহঁতো পত্নী হোৱাৰ যোগ্য ৰূপে বিচাৰি পোৱা নাই। সিহঁতে আশ-পাশৰ বহু সংখ্যক ৰাজ্যৰ ৰাজকুঁৱৰীক চাই আহিছে বুলি ক'লে।

মহাৰাজে সিহঁতক নিৰাশ নহৈ আকৌ বিচাৰি উলিয়াবলৈ ক'লে।

ৰাজকোঁৱৰহঁতে মহাৰাজৰ কথা মতে ওলায়, কিন্তু আন ক'লৈকো নাযায়—এই জংগললৈহে আহে। আহি—প্ৰায় গোধূলিলৈকে আমাৰ এই ঘৰত বহি দবা খেলি থাকে, তাৰ পাছত পুনৰ ৰাজধানীলৈ বুলি উভতি যায়গৈ।

উষাই সুধিলে, "আইতা, তুমি এওঁলোকক ৰান্ধি-বাঢ়ি খুৱাই আছা বুলিহে কিজানি ইমান থীণাই গৈছা।"

"এ—নহয়, নহয় অ'! খোৱা-বোৱাৰ বাবে সকলো বস্তু ইহঁতে নিজেই লৈ আছে। ৰান্ধা-বঢ়াৰ দৰ্কাৰেই নহয়।" আইতাকে ক'লে।

"ঠিক আছে, আজি শোওঁগৈ, কালিলৈ আকৌ শুনিম। মোক টোপনিয়ে বৰকৈ জোকাইছে।" উষাই ক'লে।

উষাই এখন তক্তাপোচত শুলেগৈ, কিন্তু উৰহৰ কাৰণে টোপনি মাৰিব নোৱাৰিলে।

পাছদিনা উষাই আইতাকক সুধিলে, "আইতা, এই তক্তাপোচত বহি যিসকল ৰাজকোঁৱৰে দবা খেলে—সিসকল কিবা শিলৰ ৰাজকোঁৱৰনে? ইমান উৰহ থকা

তক্তপোচত বহেহি কেনেকৈ ?"

মইনাজনীয়ে বাঢ়ৈটোকাক কথাটো ক'বলৈ পালেহে, বাঢ়ৈটোকাই লগে লগে উৰহবিলাকক তক্তাপোচৰপৰা ঠোঁটেৰে উলিয়াই আনিলে।

*

তাৰ পাছত—উষাই গোটেইটো ঘৰ-দুৱাৰ চাফা কৰিলে, বিশেষকৈ ৰাজকোঁৱৰহঁতে বহি দবা খেল খেলি থকা কোঠাটো আটোমটোকাৰীকৈ সজাই আটকধুনীয়া কৰি তুলিলে। খিৰিকী বিলাকত পৰ্দা, তক্তাপোচত—কোমল বিছনা ইত্যাদি পাৰিলে।

আৰু ঠিক তেতিয়াই ঘোঁৰাৰ খুৰাৰ শব্দ উঠিল। মইনাজনীয়ে কৈ উঠিল, "উষা. ঘৰৰ ভিতৰলৈ যোৱা, মতা মানুহ আহিছে—মতা মানুহ !"

ঘৰ পায়েই ৰাজকোঁৱৰহঁতে কৈ উঠিল, "আইতা ! কথানো কি ? ইমান ধুনীয়াকৈ কোনেনো সজালে আজি আমাৰ এই ঘৰ ?"

"মোৰ নাতিনীয়েৰ উষাই। তাই আহিয়েই এইবোৰত ধৰিলে।" বুঢ়ী আইতাকে ক'লে।

"ইমান ধুনীয়াকৈ সজোৱাজনী নিজে কিমান ধুনীয়া—আমি চাম।" ৰাজকোঁৱৰহঁতে ক'লে।



“চাবলৈ ইমান খৰখেদা নকৰিবা, কোঁৱৰসকল! আমাৰ উষাক দেখিবলৈ ভাগ্য লাগে।” মইনাজনীয়ে কৈ উঠিল।

মইনাজনীৰ কথা শুনি তিনিও ৰাজ-কোঁৱৰ হাঁহি উঠিল। মইনাৰ কথাত ৰাজকোঁৱৰহঁতৰ খং মুঠিল, ৰংহে পালে। ৰাজকোঁৱৰহঁতে লৈ অহা খোৱাবস্তুখিনি বুঢ়ী আইতাকে উষাৰ হাতত দিলে। উষাই সেইবোৰ খাদ্য অলপ অলপকৈ চাকি চালে, আৰু তাৰ পাছত তাই বাজৰাৰ আটাগুড়িৰে এবিধ মিঠাই বনালে।

*

ৰাজকোঁৱৰহঁতে এনে অতি সাধাৰণবো সাধাৰণ বস্তুৰে তৈয়াৰী মিঠাই আগে খোৱা নাছিল। খাই বৰ ভাল পালে। এজন ৰাজকোঁৱৰে কৈ উঠিল, “আমাৰ চাংমাইশালত এনে সুখাদ্য কেতিয়াও আমি দেখাও নাই, খোৱাও নাই।”

তেতিয়া মইনাজনীয়ে ক’লে, “আমাৰ উষাদিদিয়ে এনেকুৱা আৰু যে কত ৰকমৰ মিঠাই বনাব পাৰে!”

“হয়নে? তেনেহ’লে — তোমাৰ দিদিলৈ আমাৰ অভিনন্দন আমি আৰু নজনাই নোৱাৰোঁ।” ৰাজকোঁৱৰ বিজয়ে ক’লে। বিজয় আছিল প্ৰকৃততেই ভোজনবিলাসী।

“আমাৰ উষাদিদিক যেতিয়াই-তেতিয়াই দেখা পোৱা নাযায়। সঠিক সময়ত দেখা পোৱা যাব।” মইনাজনীয়ে কোঁৱৰহঁতক ক’লে।

ৰাজকোঁৱৰহঁতে আকৌ হাঁহিলে। এইবোৰ কথাত সিহঁতে বৰ মজা পোৱা হ’ল। যি কি নহওক, সিদিনা—উষাক নেদেখাকৈয়েই সিহঁত পুনৰ ঘোঁৰাত উঠি ৰাজধানীলৈ গুচি গ’ল।

*

পাছদিনা যেতিয়া ৰাজকোঁৱৰহঁত বুঢ়ীৰ পঁজালৈ আহিল, তেতিয়া উষাই ফুলনিত ফুল বুটলি আছিল আৰু মধুৰ

কণ্ঠেৰে গুনগুনাই গীত গাই আছিল। এনে অসাধাৰণ সৌন্দৰ্য্যৱতীৰ সহজ ৰূপ দেখি ৰাজকোঁৱৰহঁত মুগ্ধ-বিস্মিত হ'ল। তিনিওজনৰ মুখৰপৰা একেলগে ওলাই আহিল, "আঃ! কেনে মধুৰ কণ্ঠ!"

ৰাজকোঁৱৰহঁতক দেখা পায়েই উষা ঘৰৰ ভিতৰলৈ গ'ল।

ৰাজকোঁৱৰহঁতে — ইজনে সিজনক নোকোৱাকৈ—বুঢ়ী আইতাক লগ ধৰি উষাক বিয়া কৰোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে।

*

বুঢ়ী আইতাকে কথাটো উষাক কোৱাত উষাই ক'লে, "আইতা, মই তিনিওকো বেলেগে এটা প্ৰশ্ন সুধিম। যিজনে সঠিক উত্তৰ দিব পাৰিব, তেওঁক বিয়া কৰাম।"

এই প্ৰস্তাৱত ৰাজকোঁৱৰহঁত ৰংমনে সন্মত হ'ল।

*

উষাই প্ৰথমজন ৰাজকোঁৱৰ জয়ক সুধিলে, "যদি আপোনাৰ পিতৃদেৱ কাঠকটীয়াৰ ছোৱালী এজনীৰ সৈতে এই বিবাহত সন্মত নহয়; আপুনি কি কৰিব?"

"এই সন্দেহৰ কোনো হেতু নাই। দেউতা সন্মত হ'বই। যদি নহয়—সন্মতি



আদায় কৰিবলৈ চেষ্টা কৰিম, আৰু নিশ্চয় সফল হ'ম।" ৰাজকোঁৱৰ জয়ে ক'লে।

তাৰ পাছত—ৰাজকোঁৱৰ বিজয়কো উষাই একেটাই প্ৰশ্ন কৰাত বিজয়ে ক'লে, "দেউতা অসন্মত হ'লে আমাৰ এই বিবাহ কদাপি নহ'ব।"

সৰ্বশেষত ৰাজকোঁৱৰ অজয়কো উষাই একেই প্ৰশ্ন সোধাত অজয়ে ক'লে, "দেউতাই সন্মতি দিয়ক-নিদিয়ক মই তোমাক বিয়া কৰামেই। তোমাৰ কাৰণে মই ৰাজ্যপাট, ধন-দৌলত সকলো বিসৰ্জিবলৈকো সাজু।"

উষাই ৰাজকোঁৱৰ অজয়ক পতিৰূপে

তাইৰ মনে-চিতে বৰণ কৰি ল'লে।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! উষাৰ এই কাৰ্য্য সমৰ্থনীয়নে? ৰাজকোঁৱৰ বিজয় আছিল প্ৰকৃততেই পিতৃভক্ত পুত্ৰ। ৰাজকোঁৱৰ অজয়ে উষাৰ কাৰণে সৰ্বস্ব ত্যাগ কৰিব খুজিছিল। কিন্তু ৰাজকোঁৱৰ জয় আছিল সাধাৰণবো সাধাৰণ। জয়ে কৈছিল যে—এই বিবাহত মহাৰাজ অসন্মত হলে মহাৰাজৰ সন্মতি আদায় কৰিবলৈ চেষ্টা কৰিব। জয়ৰ মাজত কাঠকটীয়াৰ ছোৱালী এজনীক বিয়া কৰাবৰ মনোবল, বা দৃঢ় ইচ্ছা—একোৱেই দেখা নগৈছিল। তেনেস্থলত—এই জয়ক পতিৰূপে বৰণ কৰি উষাই ভুল কৰা নাছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিকৈ জানিও যদি তুমি কিবা কাৰণত নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব এই কথা ধ্ৰুপ।"

*

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "বিবাহৰ কথাত কাঠকটীয়াৰ আৰু ৰজাঘৰৰ ছোৱালীও একেই মনোভাব পোষণ কৰিব। পতি হ'ব লাগিব—বিবেচক, ধৈৰ্য্যশীল, সহিষ্ণু তথা বাস্তৱ দৃষ্টিভংগীসম্পন্ন। বিজয়ৰ দৰে ব্যক্তিত্বহীন বা অজয়ৰ দৰে কেৱল আবেগসৰ্বস্ব তথা বাস্তৱতাৰ বোধ বৰ্জিতক বিবাহ নকৰোৱাকৈ, তথা জয়ৰ দৰে প্ৰকৃত ব্যক্তিত্বপূৰ্ণ তথা অত্যন্ত বিবেচক ৰাজ-কোঁৱৰক বিবাহ কৰাই উষাই অত্যন্ত সঠিক কাৰ্য্য কৰিছিল।"

*

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[ডঃ তাটিচেৰ্লাৰ কাহিনীৰ আধাৰত]



ভাৰতৰ দেৱ-দেৱী ঃ

মহাবীৰ

আমাৰ দেশৰ জৈন ধৰ্ম সুপ্ৰাচীন কালৰেপৰাই চলি আহিছে। বৰ্ধমান মহাবীৰ জিনৰদ্বাৰা জৈন ধৰ্মৰ প্ৰচাৰ তথা প্ৰসাৰ বহুলভাৱে ব্যাপ্ত হৈছে।

খৃষ্টপূৰ্ব ষষ্ঠ শতিকাত বৈশালীৰ ৰাজ-পৰিয়ালত বৰ্ধমান জন্মগ্ৰহণ কৰিছিল। তেওঁ ত্ৰিছ বছৰ বয়সতে জগতৰ সমস্ত সুখ-ভোগ পৰিত্যাগ কৰিছিল। তাৰ আগতে তেইছগৰাকী-তীৰ্থংকৰ প্ৰদৰ্শিত-আধ্যাত্মিক মাৰ্গ অনুসৰণ কৰিছিল। জৈন ধৰ্মৰ ব্যপক,প্ৰচাৰ আৰু প্ৰসাৰ কৰি বৰ্ধমান মহাবীৰ চৌবিছতম তীৰ্থংকৰ হৈছিল।

মানৱ জীৱনৰ অন্তিম উদ্দেশ্য হ'ল নিৰ্বাণ। আত্ম-সংযম, অহিংসা পালন আদিৰে জন্ম-মৃত্যুৰ বন্ধনৰপৰা মুক্তিলাভ তথা নিৰ্বাণ লাভ কৰিব পাৰি বুলি তেওঁ উপদেশ প্ৰদান কৰি গ'ল।

জৈন মন্দিৰসমূহত বৰ্ধমান মহাবীৰ পূজীত। ধ্যান-মগ্ন ৰূপত তেওঁৰ স্বৰ্ণাভ মূৰ্তি চিত্ৰিত হয়। অন্যান্য তীৰ্থংকৰও দেৱতা ৰূপে এই মন্দিৰসমূহত পূজিত হয়। অতি পুৰণি আৰু নবীন জৈন মন্দিৰ আমাৰ দেশৰ ঠায়ে ঠায়ে পৰিলক্ষিত হয়।

অকণিৰ উপন্যাস !



অহা বৰদিনত 'দি ডায়েৰি অভ্ আ সেভেন্থ গ্ৰেডাৰ' (সপ্তম শ্ৰেণীৰ ছাত্ৰীৰ দিনপঞ্জী) নামৰ এখন ইংৰাজি ভাষাৰ উপন্যাস প্ৰকাশিত হ'ব। দুবছৰৰ আগতে সপ্তম মানত পঢ়া এজনী ছোৱালীয়ে গৰমৰ বন্ধত এই উপন্যাসখন লিখি উলিয়াইছিল।

এই ছাত্ৰী-লেখিকাজনীৰ নাম হ'ল নয়নতাৰা নূৰানি। নয়নতাৰা সম্প্ৰতি পাকিস্তানৰ কৰাচী নগৰত পি. আই. চি. হাইস্কুলত নৱমমানত পঢ়ি আছে। নয়নতাৰা এতিয়া পাকিস্তানত এক অতি বিখ্যাত অতি আদৃত নাম, য'লৈকে যায় —অটোগ্ৰাফ দিব লাগে পাকিস্তানৰ এই অকণি লেখিকাই। এই অকণি লেখিকাই এঘাৰ বছৰীয়াতে এওঁৰ প্ৰথম উপন্যাস লিখিছিল আৰু এওঁৰ বাৰ বছৰ বয়সত প্ৰকাশিত হৈছিল। এই উপন্যাস লিখাৰও এটি কাহিনী আছে।

নয়নতাৰাৰ মাক হ'ল অধ্যাপিকা। লেখিকা হিচাপেও তেওঁ জনাজাত। কৰাচীৰ এক প্ৰকাশন-সংস্থাই এবাৰ তেওঁৰপৰা এখন শিশু উপন্যাস খুজিলে। কিন্তু সময়ৰ অভাৱত নয়নতাৰাৰ মাকে সেই শিশু উপন্যাস লিখি উলিয়াব নোৱাৰিলে। এইবোৰ কথা নয়নতাৰাৰো অগোচৰ হৈ নাথাকিল। নয়নতাৰাই কাকো একো নোকোৱাকৈ কাগজ-কলম লৈ বহিল আৰু আধাখিনিমান লিখি প্ৰকাশকলৈ পঠালে। পাছদিনাই প্ৰকাশকে বাকী আধা খুজি ফোন কৰিলে। বছ। কিছুদিনৰ পাছত নয়নতাৰাৰ প্ৰথম উপন্যাস 'আ ড্ৰিম কাম ট্ৰু' প্ৰকাশিত হ'ল। এই উপন্যাসৰ উপজীব্য আছিল—সতিয়ৈ মাকে নানান ধৰণে নিৰ্য্যাতন কৰা এজনী বালিকাই ঘৰৰপৰা ওলাই সাহসিকতাৰে কেনেকৈ ছাৰ্কাছদলত যোগ দিছিল আৰু বহুদিনৰ পাছত নিজৰ মাককো বিচাৰি উলিয়াইছিল—সেই অপৰূপ-অনুপম কাহিনী।

নয়নতাৰা গণিত আৰু ভৌত-বিজ্ঞানৰ ছাত্ৰী। তাইৰ শ্ৰেণীত তায়েই আটাইতকৈ আগ বঢ়া। অৱসৰ সময়তহে তাই লেখা-মেলা কৰে। তাইৰ যোল বছৰীয়া বায়েকে তাইৰ এই কামত যথেষ্ট সহায় কৰে। তাইৰ দেউতাকে তাইৰ হাতে লিখা উপন্যাস টাইপ কৰি দিয়ে, অ'ত-ত'ত শুধৰায়ো দিয়ে। তেওঁ নিজেও পত্ৰিকা-সম্পাদক।

আমি জানোনে ?

১. পৃথিৱীৰ সৰ্বাতোকৈ অধিক বিক্ৰীত বাতৰিকাকত কোনখন ?
২. প্ৰাচীন ৰোমত ফেঁচাক অমঙলীয়া বুলি গণ্য কৰা হৈছিল। মৌমাখিক কি বুলি ভবা হৈছিল ?
৩. ইংৰাজি ভাষাৰ সৰ্বাধিক জনপ্ৰিয় গান কোনটো ?
৪. কেৰলত ওপজা তক্ষশিলাত বিদ্যা আহৰণকাৰী গণিতজ্ঞ কোন ? তেওঁ কোন বিষয়ত বিখ্যাত আছিল ?
৫. আমাৰ ত্ৰিবৰ্ণ পতাকাৰ বৰণ স্থিৰ কৰিছিল মাদাম ভিকাজীকামা-ই। আমেৰিকাৰ পতাকাও এগৰাকী মহিলাই স্থিৰ কৰিছিল। তেওঁনো কোন ?
৬. ছোভিয়েতদেশৰ কোনজন ব্যক্তিৰ নামত ভাৰতে ডাকটিকেট উলিয়াইছিল ?
৭. ইংল্যাণ্ডৰ মহাৰাণী ভিক্টৰিয়া আৰু ৰুছদেশৰ পিটাৰ দি গ্ৰেট—উভয়ে এগৰাকী বিজ্ঞানীক চাবলৈ গৈছিল। তেওঁনো কোন ?
৮. আমেৰিকাৰ ঈশ্বাৰ ক্লিভল্যাণ্ডৰ নিজস্ব বৈশিষ্ট্য কি ?
৯. আমেৰিকাৰ এগৰাকী প্ৰেজিডেন্ট প্ৰেজিডেন্ট হৈ থকালৈকে অবিবাহিত হৈ আছিল। তেওঁ কোন ?
১০. পৃথিৱীত আটাইতকৈ অধিক তাপ ক'ত কেতিয়া হৈছিল ?
১১. আটাইতকৈ কম তাপ ক'ত কেতিয়া হৈছিল ?
১২. পৃথিৱীৰ অতি ভয়ংকৰ প্ৰাকৃতিক বিপৰ্যয় কি ?

উত্তৰ

১. জাপানৰপৰা ১৮৭৪ চনত প্ৰকাশিত 'য়োমিয়ুৰি শিম্বুন'।
২. ভাগ্যমন্ত। মৌমাখিক দেৱদূত ভবা হৈছিল।
৩. 'হ্যাপি বাৰ্থ ডে টু ইউ'—মিলেৰ্ড পেটি হিল—ৰচিত জন্মদিনৰ গীত।
৪. আৰ্যভট্ট। বৃত্তপৰিধি আৰু ব্যাসৰ মাজত মীমাংসাৰ পথ বিচাৰিছিল তেওঁ।
৫. ফিলাডেলফিয়াৰ বেট্‌ছি ৰোজ, মহিলা দৰ্জি।
৬. ম্যাক্‌ছিম গোৰ্কি। ১৯৬৩ চনত এই ডাকটিকেট ওলাইছিল।
৭. আণ্ডন লিউবেনহোক্। মাইক্ৰ'স্ক'প।
৮. তেওঁৰ পিতৃ গ্ৰেভাৰ ক্লিভল্যাণ্ড যেতিয়া আমেৰিকাৰ প্ৰেজিডেন্ট আছিল। হোৱাইট হাউছত ওপজা ক্লিভল্যাণ্ড একমাত্ৰ সন্তান।
৯. জেমছ বুচানন। তেওঁৰ পাছত অহিছিল আব্ৰাহাম লিন্‌কন্।
১০. উত্তৰ আফ্ৰিকাস্থিত অনিজা নামৰ ঠাইত ১৩ ডিছেমবাৰ (১৯২২) 57·8°C হৈছিল।
১১. আণ্টাৰ্কটিকাৰ ভস্টকখুডত ১৯৬০ চনৰ ২৯ অগাস্টত 88·3°C তাপ।
১২. চীনদেশৰ হোৱাং হো নৈৰ পানীয়ে ১৯৩১ চনত প্ৰায় ৩৭ লাখ মানুহ উটুৱাই নিছিল।

সম্বাদ-বি-সম্বাদ

ছেভেন হানড্ৰেড ইন্ ওৱান!

সাতশজন মানুহ-মুনিহ, আৰু একেইখন পৰিয়ালৰ এই ঘটনা সম্ভৱনে? কিন্তু সম্ভৱ আৰু সঁচা। কেৰল ৰাজ্যৰ কালিকটৰ নিকটস্থ কুট্টিচিৰা নামৰ গাঁৱত 'কোছানি বিডু' নামৰ এখন মুছগমান পৰিয়ালে এই কীৰ্তিস্তম্ভ স্থাপন কৰি আনকি 'গিনেছ বুক অভ্ ৰেকৰ্ডছতো ঠাই পোৱা হৈছে। এই পাৰয়ালৰ সৰ্বাতোকৈ বয়সিয়ালগৰাকীৰ নাম চেৰিয়া আইশাবী। এওঁ ৯০ বছৰীয়া। এওঁৰ পুত্ৰ পৌত্ৰ পুত্ৰী পৌত্ৰী প্ৰপৌত্ৰ প্ৰপৌত্ৰী আদি মিলাই সৰ্বমুঠ ৬৮০ জন। কিছুমান বছৰৰপৰা প্ৰতি বছৰৰ ১৫ অগাস্টৰ দিনা এওঁলোক এক গোট হৈ ৰং-ধেমালি কৰে, ফটো লয়, গণতান্ত্ৰিক পদ্ধতিৰে পৰিয়ালখনৰ নেতা নিৰ্বাচন কৰে। যোৱা ৩৩ বছৰ ধৰি ৭৫ বছৰীয়া আহমদ কয়াই এইখন পৰিয়ালৰ নেতা হিচাপে সদায় বিজয়ী হৈ আহিছে!

দশম!

তিনি মাহমানৰ আগতে বৃটিছ মহাকাশ বিজ্ঞানীবৃন্দই সৌৰ-মণ্ডলৰ ন-টা গ্ৰহৰ লগতে আন এটা গ্ৰহৰ আৱিষ্কাৰ কৰা হৈছে। এই দশম গ্ৰহটো আমাৰ এই পৃথিৱীতকৈ দহোগুণে ডাঙৰ। ই ইয়াৰ মাতৃনক্ষত্ৰৰ চাৰিওফালে পৰিভ্ৰমণ কৰি ফুৰিছে। পৃথিৱীয়ে সূৰ্য্যৰ চাৰিও-ফালে ভ্ৰমোঁতে যিমান সময় লয়, এই গ্ৰহটিয়ে তাৰ তিনিভাগৰ এভাগ সময় লয়। বিজ্ঞানী সকলৰ মতে প্ৰতি তিনি ছেকেণ্ডত ১৪০০ মেগাহাইট্‌ছ ফ্ৰিকুৱেন্সিত এই দশমৰপৰা ৰেডিঅ' তৰংগ ওলায়। এই তৰংগ শক্তিশালী ৰেডিঅ'টেলিস্ক'পৰ যোগেদি শুনিব পাৰি। ধনুৰাশি নক্ষত্ৰমণ্ডলৰ ওচৰত থকা এই গ্ৰহটিৰ নাম পি এছ আৰ ১৮২৯—১০। এই গ্ৰহত জীৱনৰ সম্ভাৱনাৰ কথা অমূলক নহ'বও পাৰে বুলি বিজ্ঞানীসকলে অনুমান কৰা হৈছে!

নখচুকীয়া

বন্দিপুৰত শিৱৰাজ আৰু শান্ত নামৰ এহাল পতি-পত্নী বাস কৰিছিল। শিৱৰাজৰ আছিল এটা পকী ঘৰ আৰু দহ হালিচামান খেতিমাটি। এই হালৰ একমাত্ৰ ল'ৰা শংকৰ আছিল অলপ আলাভুলাবিধৰ ল'ৰা।

ল'ৰাটো ভালেই, কিন্তু সি অচতুৰ হোৱা হেতুকহে তাৰ ভৱিষৎ জীৱনৰ কথা চিন্তি শিৱৰাজ আৰু শান্তা আছিল অশান্ত।

বহু ধৰণে ভাবি ভাবি শিৱৰাজে অতি চতুৰ তথা বুদ্ধিমান ললিতাৰ সৈতে শংকৰৰ বিয়া পাতি দিলে।

ললিতা কেৱল চতুৰ তথা বুদ্ধিমতীয়েই নহয়, যথেষ্ট পৰিশ্ৰমী তথা ধৈৰ্য্যসহিষ্ণুও। তাই ঘৰখন এনেকৈ চলাই থাকিল যে গিৰিয়েকৰ গাফিলি বা আলা-ভুলা কামৰ বাবে ঘৰখনৰ কোনো কথাতেই কোনো খুঁত নথকা হ'ল। শহুৰ-শাহুৰেক বোৱাৰীৰ প্ৰশংসাত পঞ্চমুখ হ'ল।

এইদৰে কিছুদিন পাৰ হ'ল। এতিয়া ললিতা আৰু আগৰ সেই ললিতাজনী হৈ নাথাকিল। তাই ভাবিলে : এয়েহেনে জীৱন ? কেৱল বুঢ়া শহুৰ বুঢ়ী শাহুৱেকৰ পদ-সেৱা ? কিয় ? বেলেগ ঘৰ বেলেগ চৰু হ'লে দেখোন এইবোৰ জা-জঞ্জাল নোহোৱা হ'ব পাৰি। তেতিয়া কেৱল আমি দুয়ো। কোনো আলৈ নাই আহুকাল নাই, লেঠা নাই। —এইবোৰ কথা ভাবি ভাবি ললিতাই বঢ়িয়া উপায় এটা চিন্তিলে।

গিৰিয়েক যে একেবাৰে আলা-ভুলা অজলা — কথাটো তাই ভালেকৈয়েই

গৰিমা মহন্ত



জানে। তাই জানে—যদি তাই কিবা এটা ভাও ধৰে ছল কৰে — তাকেই গিৰিয়েকে সঁচা বুলি ভাবিব। যি কৰিবলৈ যা কৰিবলৈ ক'ব—মূৰ কাতি কৰি দিব— তাকেই কৰিব।

এদিন গধূলিৰ ঠিক আগে আগে শাহুৰেক শান্তা গ'ল পুৰাণ-কথা শুনিবলৈ গাঁৱৰ শিৰদ'ললৈ। শংকৰ আৰু শিৱৰাজ তেতিয়ালৈকো খেতি-পথাৰৰপৰা ঘূৰা নাছিল! ললিতাই গিৰিয়েক উভতি অহালৈ বাট চাই থাকিল।

অলপ সময়ৰ পাছত ললিতাই তাইৰ গিৰিয়েকক ঘৰলৈ আহি থকা দেখা পালে আৰু তাই তাইৰ সোঁহাতৰ বুঢ়া আঙুলিত পানী ঢালি কিছুমান লতাৰে বান্ধি লৈ খাটত শুই কেঁকাবলৈ ধৰিলে।

শংকৰে তাৰ ঘৈণীয়েকক কেঁকাই থকা দেখি ব্যগ্রতাৰে সুধিলে, "কি হ'ল, ললিতা? কি হ'ল তোমাৰ?"

"মোৰ ডাঙৰ বিপদ, বুঢ়া আঙুলিত নখচুকীয়া হৈছে।" এই কথা কৈ কৈ তাই ছটফটাবলৈ ধৰিলে।

শংকৰে বৰ ভালকৈ একো নুবুজিলে, কিন্তু এইটি কথা বুজিলে যে ললিতাৰ কিবা ধৰণৰ ডাঙৰ যিপদ হৈছে। সি দমি গৈ ক'লে, "বুঢ়া আঙুলিত নখচুকীয়া! ৰ'বা, মই এতিয়াই শাৰদাপ্রসাদ কবিৰাজক মাতি আনিছোঁগৈ—।"

শংকৰে যেতিয়া কবিৰাজক মাতি আনিবলৈ খোজ ল'লে, তেতিয়া ললিতাই শংকৰক ৰখালে আৰু ক'লে, "কবিৰাজে মোক ভাল কৰি তুলিব নোৱাৰিব, মই মোৰ আইতাৰপৰা শুনিছিলোঁ যে—এই বেমাৰ হ'লে—ডাক্টৰ-বৈদ্যই একো কৰিব নোৱাৰে। বেলেগ ঘৰ বেলেগ চক হ'লেহে এই বেমাৰ গুচিব। নহ'লে—অনকি মই মৰিবও পাৰোঁ।"

শংকৰ বিমোৰত পৰিল। কি যে কৰিব — ঠাৱৰ কৰিব নোৱাৰিলে। ঠিক



তেতিয়াই তাৰ মাক শিৰদ'লৰপৰা আৰু দেউতাকো খেতি-পথাৰৰপৰা উভতি আহিল। শংকৰে মাক-দেউতাকৰ ওচৰত সকলো কথা হুবহু ক'লে। ললিতাই যে বেলেগ হৈ যাব খুজিছে— তাইৰ এই মতলব তেওঁলোকে নুবুজাকৈ নাথাকিল। শান্তাই বোৱাৰীক কিঞ্চিত শিক্ষা দিবৰ মনেৰে শংকৰক ক'লে, "বোপা, বুঢ়া আঙুলিত নখচুকীয়া হ'ল, এয়া হ'ল অতি টান বেমাৰ।"

ভিতৰুৱা কোঠাত শুই শুই ললিতাই শাহুৱেকৰ কথা শুনি থাকিল। আৰু ভাবি থাকিল যে এইবাৰ তাইৰ কপাল ফুলিল।

শান্তাই কিবাকিবি কৈ শিৰৰাজক ক'ৰবালৈ যাবলৈ ক'লে, আৰু শিৰৰাজ ওলাই যোৱাৰ পাছত বোৱাৰীৰ বিছনাৰ কাষত বহি বুজনি দি দি ক'লে যে নখচুকীয়া হ'ল এক নিদাৰুণ বেমাৰ আৰু —বেলেগ চকু নকৰালৈকে যে এই বেমাৰ নাতঁৰে-নুগুচে তাকো তেওঁ জানে। তেওঁ আজিয়েই তাইক এই বন্দবস্ত কৰি দিব। এই কথা শুনিয়েই ললিতাজনীৰ হিয়া-মন সাতখন-আঠখন।

তিমানতে শিৰৰাজে বীৰুবেজক মাতি লৈ আহিল। বীৰু বেজৰ হাতত এখন ডেগাৰ। শান্তাই শংকৰকো বুজালে, বুজনি দিলে। আলা-ভুলা শংকৰে মূৰ কাতি কৰি কোঠালৈ সোমাই আহিল আৰু ললিতাক খাটৰ ওপৰত বহুৱালে। তাৰ পাছত তাইক পিছফালৰপৰা টানকৈ ধৰি থাকিল, আৰু তাই একো ক'বলৈ নৌ পাওঁতেই বীৰু বেজে তাৰ ডেগাৰখন লৈ ললিতাৰ বুঢ়া আঙুলিটোক কাটি পেলাবলৈ সাজু হ'ল।

বীৰুৱে ক'লে, "আই, হাতখন বঢ়াই দিয়া, তোমাৰ আঙুলিটো কটাৰ পাছত জল্‌দি জল্‌দিকৈ আন এঠাইলৈ যাব লাগিব। গাঁৱত এনেকৈ চাৰিজনীৰ নখচুকীয়া হ'ল।"

এইবাৰ ললিতাই ভয়ৰ কোবত ঠিৰ ঠিৰকৈ জঁপিবলৈ ধৰিলে। তাইৰ মুখৰপৰা মাতেই নোলোৱা হ'ল। শাহুৱেক শান্তাই বীৰু বেজক ক'লে, "বীৰু, চাবা, আমাৰ বোৱাৰীৰ আঙুলি সাৱধানে কাটিবা।"

"সেই কথা আৰু ক'ব লাগিছেনে—? সেই শিক্ষা মোৰ ছুবাৰতে হৈ গ'ল। ছুবাৰ ছুজনীমানৰ নখচুকীয়া ভাল কৰোঁতে কেটামানকৈ আঙুলিয়েই ভুলতে কাটি পেলাইছিলোঁ। এতিয়া আৰু তেনেকুৱা নহ'ব।" বীৰুৱে ক'লে, "আই, হাতখন চাওঁচোন—।" বীৰুৱে ললিতাৰ হাতখনত ধৰিবলৈ আগুৱাই গ'ল।

হঠাৎ ললিতাই কান্দি উঠিল আৰু শাহুৱেকলৈ চাই ক'লে, "মা, মোক এই বীৰুবেজৰ হাতৰপৰা বচাওক! মোৰ একোৱেই নাই হোৱা। বেলেগ ঘৰ বেলেগ চক কৰাৰ মনেৰেহে তেনেকৈ—।" ললিতাই আৰু একো ক'ব নোৱাৰি শাহুৱেকৰ বুকুত মূৰ থৈ উচুপিবলৈ ধৰিলে আৰু ক'লে, "মোৰ ভুল মই বুজি পাইছোঁ মা, মোক ক্ষমা কৰক। বীৰুবেজক ইয়াৰপৰা এতিয়াই গুচি যাবলৈ কওক।"

শাহুৱেকে ক'লে, "যদি সঁচাসঁচিকৈয়েই বেলেগ হ'ব খুজিছা, ক'লৈকো যাব নালাগে, ইয়াতে — এইটো ঘৰতে তোমালোক থাকা। আমি বুঢ়া-বুঢ়ী হালে সৌ খেতি-পথাৰৰ সিচুকত টোকোৰা পঁজা এটা সাজি ৰংমনেই থাকিব পাৰিম।"

ললিতাই আকৌ ছুবাওবাৰে কান্দি উঠিল আৰু ক'লে, "মোক ক্ষমা কৰক, মই অতি লজ্জিত। জীৱনত আৰু কেতিয়াও এনে ভুল নকৰোঁ।"

"ক্ষমা কৰিম বাৰু। কিন্তু আমাক তুমি এটি নাতি বা নাতিনীয়েক এজনী দিয়া, তেহে ক্ষমা পাবা।"

শাহুৱেকৰ কথা শুনি ললিতাৰ মুখত লাজ লাজ হাঁহি বিৰিঙিল।

সকল কবি—নহয় কবি

কোনোবা এখন গাঁৱত তিনিজন বন্ধু আছিল। বন্ধু তিনিজনৰ নাম যথাক্ৰমে—হৰষ, পৰষ আৰু নৰস। হৰষ আছিল নাস্তিক। পৰশে কোনো দেৱ-দেৱীক নামানিছিল, কোনো দ'ল-দেৱালয়লৈকো নগৈছিল। পৰশ আছিল হৰষৰ বিপৰীত। পৰশৰ দেৱদ্বিজত অটল ভকতি।

এই তিনিও বন্ধুৰ এক বিশেষত্ব আছিল। আৰু এই বিশেষত্বৰ কাৰণেই কিজানি—সম্প্ৰতি অনন্ত নামৰ চালাক-চতুৰ যুৱক এজন লগ লাগিলহি, এই তিনিওৰে সৈতে বন্ধুতা পতালেহি।

এই চাৰিওজন আছিল কবিতাপ্ৰিয়। এওঁলোকে নিজেই লিখে, নিজেই পঢ়ে, নিজেই শুনে। গাঁৱৰ এচুকত এজোপা বৰগছৰ তলত প্ৰতিদিন এই চাৰিও লগ লাগে আৰু তাত কাব্য-সাহিত্যৰ চৰ্চা কৰে। প্ৰকৃতপক্ষে এওঁলোকৰ কৱিতা-পাঠ শুনোঁতা কোনো নাই-নাহে, এওঁলোকক চবেই এৰাই চলে, কিয়নো এই কবিতা শুনাতকৈ ডাঙৰ শাস্তি হেনো জেৰেঙাপথাৰো নহয় বুলি ৰাইজে কয়।

ৰাইজে কয়: হৰষ হ'ল নাস্তিক, আৰু সেইহে—কোনোবা ভূত-প্ৰেত যদি তাৰ ওপৰত লম্ভেহিত, তাক ৰক্ষা কৰোঁতা কোনো নাই। কিন্তু—তান্ত্ৰিকৰ মন্ত্ৰ-শক্তিকো যিবোৰ ভূত-প্ৰেতে ভয় নকৰে, সেইবোৰ ভূত-প্ৰেতো হৰষৰ কবিতা শুনাৰ ডৰত হৰষৰ কাষকে নাচাপে।

আৰু—পৰশ যদিও ভগৱানত বিশ্বাসী, তথাপি, পৰশৰ কবিতালৈ ভগৱানৰো ভয়!

বাকী থাকিল—নৰস। নৰসও ৰক্ষা

আনন্দ ডেকা

পৰিল তাৰ এই কবিতাৰ বাবে। তাৰ কবিতা শুনাৰ ভয়ত সহস্ৰ দৰকাৰ হ'লেও টকা ধাৰলৈ বিচাৰি কোনো তাৰ কাষ নচপা হয়। তাৰ কবিতা শুনি মৰাতকৈ হেনো নেখাই মৰাও ভাল। তাৰ কবিতা কাণত পৰাৰ ভয়ত হেনো নেখাই মৰাও ভাল। তাৰ কবিতা কাণত পৰাৰ ভয়ত হেনো মহ-মাখি পোক-পৰুৱা নিগনি-বোৰো তাৰ ঘৰৰপৰা পলায়।

অনন্ত আছিল চালাক-চতুৰ। সি ভাবিলেঃ এই তিনিও কবিতা-বলিয়াৰ-পৰা কেতিয়াবা নিশ্চয় কিবা ধৰণৰ উপকাৰো পোৱা যাব। সেইহে সি বাধ্যত পৰি সিহঁতৰ কবিতা শুনিছিল, আৰু ভাল পোৱাৰ ভাও জুৰিছিল। আৰু নিৰন্তৰ ইহঁতৰ কবিতা শুনাৰপৰা ৰক্ষা পৰিবলৈ সি নিজেও কবিতা লিখিবলৈ ধৰিছিল।

এবাৰ সেই গাঁৱৰ জমিদাৰ কবিৰাজ ডাঙৰীয়াই নিজৰ নামটোৰ দৰেই কবি-সকলৰ পৃষ্ঠপোষকতা কৰিব বুলি ভাবি এখন কবিতা-প্ৰতিযোগিতা পাতিলে আৰু আশ-পাশৰ গাঁওবোৰৰপৰা দুশমান কবিয়ে এই প্ৰতিযোগিতাত ভাগ ল'লে।

কবিৰাজ জমিদাৰে পাঁচজনৰ কৰিতাক শ্ৰেষ্ঠ বুলি ঘোষণা কৰি প্ৰতিজন কবিক এহেজাৰকৈ মুদ্ৰা আৰু মানপত্ৰ প্ৰদান কৰিলে। এই পাঁচজন কবিৰ মাজত অনন্তও আছিল অন্যতম।



হৰষ পৰশ আৰু নৰস অনন্তৰ প্ৰতি নিৰ্লিপ্ত-উদাসীন হৈ উঠিল। সিহঁত তিনিজনৰ এই ব্যৱহাৰৰ ফলত অনন্তই দুঃখ অনুভৱ কৰিলে। কিন্তু—যেনেতেনে এই তিনিজনৰ বন্ধুতা পুনৰ আগৰদৰেই ঘূৰাই পাবলৈ অনন্তই এটা উপায় ল'লে।

পোন প্ৰথমে অনন্ত হৰষৰ কাষ চাপিল। অনন্তই হৰষক ক'লে, "হৰষ, তুমি নাস্তিকতা পৰিত্যাগ কৰা। তোমাৰ প্ৰতি ঈশ্বৰে যদি কৃপা কৰে, তোমাৰ নাম-যহ বৈ বৈ যাব।"

তাৰ পাছত অনন্তই পৰশক ক'লে, "তুমি ভগৱানৰ সলনি আমাৰ জমিদাৰ-কবিৰাজৰ প্ৰশস্তি গাই কবিতা, ৰচা, যদি তেনেহ'লে তোমাৰো তেওঁ এঁকেদৰেই মান ধৰিব। তোমাৰ নাম-যহ দেশ বিদেশলৈকো বিয়পি পৰিব।"

নৰসক ক'লেগৈ অনন্তই, "তুমি এনেকুৱা কিৰ্পিণালি পৰিত্যাগ কৰা। কবিৰাজ-জমিদাৰে যে কবিতা পৰীক্ষা কৰি চাবলৈ মানুহ এজন নিযুক্ত কৰিছিল, তুমিও নিশ্চয় নজনা নহয়। সেই পৰীক্ষক মানুহজনক কিঞ্চিত মাননী দিয়াহেঁতেন তোমাকো নিশ্চয় কবিৰাজ-জমিদাৰে মান নিশ্চয়কৈ ধৰিলেহেঁতেন।"

তাৰ পাছতো কিন্তু বন্ধু তিনিজনৰ মাজত কোনো পৰিৱৰ্তন দেখা ন'গল। অনন্তই পৃথক পৃথকভাবে তিনিওকো

বুজনি দিবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হ'ল। লোকপ্ৰিয়তাৰ কৌশল শিকাবলৈ অনন্তই চেষ্টা কৰিলে, কিন্তু ইহঁত তিনি পাইকৰ শ্ৰীৰাম বৰাহেন হৈয়েই থাকিল।

হৰষে অনন্তক ক'লে, "চোৱা, এতিয়া মই বুজি পালোঁ যে ভগৱানৰ কৃপাতহে তুমি কবি-খ্যাতি পালা। তথাপি— মানুহৰ সৈতে মানুহৰ ইমান ভেদ সৃষ্টিকাৰী সেই দৈৱৰ সহায়তা মোক নালাগে। মই মোৰ নিজস্ব শক্তিৰেই খ্যাতি আৰ্জিব পাৰিম—এই বিশ্বাস মোৰ আছে। মোক কোনো ভগৱান নালাগে, ভগৱান হ'ল মোৰ দুছমন!"

পৰশে অনন্তক নিন্দা-কৰ্কথনা কৰি ক'লে, "মই কালিলৈকে ভাবি আছিলোঁ যে—তুমি উৎকৃষ্ট কাব্য ৰচা বাবেইহে পুৰস্কাৰ-সন্মান আৰ্জিলা। মই তোমালৈ ঈৰ্ষাহে—পোষণ কৰিছিলোঁ। মই মোৰ নিকৃষ্ট কবিতাৰ বাবে পুৰস্কাৰ-সন্মান একোৰেই নিবিচাৰোঁ, আৰু এই সন্মান ঈশ্বৰেও দিব নোৱাৰে। কিন্তু সেই বুলি —জমিদাৰকে ঈশ্বৰ বুলি ভাবি মই কাব্য ৰচনাত নাই।"

নৰসেও অনন্তক কৰ্কথনা-বিকৰ্থনা কৰিলে, "তোমাৰ দৰে ধন দি মান অৰ্জা কবি থকালৈকে কাব্যৰ ভৱিষ্যৎ নাই, শগুণ বিলাকৰহে ভৱিষ্যৎ আছে।" তোমাৰ কথাৰপৰা বুজি পালোঁ যে আচলতে—মোৰ কাব্যয়েই আছিল শ্ৰেষ্ঠ!"

অনন্তই এটা কথা ফটফটীয়াকৈ বুজি পালে যে সকলো কবিয়েই কবি নহয়, কোনো কোনোবাহে কিব। ইহঁতে কবিতা লিখে, কিন্তু কবি-মন ইহঁতৰ একেবাৰে নাই। সেইকেখি অনন্তই ইহঁতৰ সৈতে বন্ধুতাৰ আশা পৰিত্যাগ কৰি গুচি গ'ল। আৰু—হৰষ পৰশে আগৰ দৰেই নিজেই লিখি নিজৰ কবিতা নিজেই শুনি থাকিল।



১৮

সীতাৰ বাতৰি পোৱামাত্ৰেই ৰামচন্দ্ৰ অথিৰ-অবিৰ হৈ উঠিল। এতিয়া এপলকো এপৰ যেন বোধ হ'ল। তেওঁ চকুৰ পচাৰতে সীতাৰ ওচৰ পাব খুজিলে। সীতা ৰাক্ষসী-পৰিবৃতা হৈ যে কিমান দুখৰে আছে, ভাবি শ্ৰীৰামচন্দ্ৰৰ উগুল-থুগুল লাগিল। সীতাই হনুমানক যিবোৰ কথা কৈছিল, সেইবোৰ শুনি থাকোঁতে ৰামচন্দ্ৰ বিভোৰ হৈ পৰিল।

হনুমানে সীতা-কথিত 'কাউৰী-কাহিনী'ও ৰামচন্দ্ৰক সবিস্তাৰে ক'লে।

এইদৰে, অতি বিস্তৃতভাৱে আৰু সুন্দৰকৈ সীতা-বৃত্তান্ত কোৱাৰ অন্তত হনুমানে মন্তব্য কৰিলে :

"সীতা মাতৃয়ে মোক সুধিছিল যে ইমান শক্তিমান শ্ৰীৰামচন্দ্ৰই কিয় এতিয়াও ৰাক্ষসৰাজ্য অক্ৰমণ কৰাহি নাই ?

"হে হনুমান, তুমি শ্ৰীৰামচন্দ্ৰক ক'বাগৈ, তেওঁৰ যদি মোৰ প্ৰতি বিন্দুমাত্ৰ মৰমো অৱশিষ্ট আছে, তেওঁ অযথা কালক্ষয় নকৰি অনতিপলমে লংকানগৰী আক্ৰমণ কৰি ধূলিস্মাৎ কৰেহি যেন। যিজন শ্ৰীৰামচন্দ্ৰই মন কৰিলে আনকি দেৱতাসকলকো পৰাজিত কৰিব পাৰে, তেওঁনো সামান্য ৰাক্ষসৰ ভয়ত ভীত হ'বনে ?

"এয়া নিশ্চয় ন-সম্ভৱে। তেনেহ'লেনো



কিয় মোৰ প্ৰতি এই উপেক্ষা? মই যে কি পাপ কৰিলোঁ—নাজানো। নাজানো—কিয় শ্ৰীৰামচন্দ্ৰই মোক দেখা দিয়াহি নাই!

"তেতিয়া মই ক'লোঁ যে শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ—হে মাতৃ, তোমাৰ দুখতে কাতৰ হৈ আছে। মোৰপৰা বাৰ্তা শুনি যে আপোনসৱৰ দুঃখ দূৰ হ'ব—সেই কথা টাও মই মাত সীতাক বুজাই কৈছোঁ। তাৰ পাছত তেওঁ মোৰে সৈতে সাক্ষাতৰ প্ৰমাণস্বৰূপে এই চূড়ামণিধাৰ মোৰ হাতত দিলে আৰু শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ সুগ্ৰীৱ ৰজাৰ সৈন্যৰে সৈতে অনতিপলমে লংকা পাবহি বুলি কৈ—মই দপাটকৈ গুচি আহিলোঁ ইয়ালৈ।"

হনুমানৰ কথাখিনি শুনি তুষ্ট হৈ শ্ৰীৰামচন্দ্ৰই ক'লে, "হে হনুমান! তুমি এক দুৰূহতম তথা মহান কাৰ্য্য সম্পন্ন কৰিলা। এই কাৰ্য্য তোমাৰ অবিহনে এনেকৈ হেলাৰঙে সম্পন্ন কৰাৰ সাধ্য গৰুড় আৰু স্বয়ং পৱনদেৱতাৰ বাহিৰে আন কোনেও কৰিব পাৰিবনে সন্দেহ। লংকা অতি সুৰক্ষিত। সেই ৰাক্ষসৰাজ্যত প্ৰৱেশ কৰি জীয়াই জীয়াই উভতি অহাটো ধেমালিৰ কথানে? তুমি কেৱল সুগ্ৰীৱ ৰজাৰ আজ্ঞা পালনতে তোমাৰ কৰ্তব্য সীমাৱদ্ধ ৰখা নাই। অশোকবন তচোনচো কৰিলা, ৰাক্ষস বধিলা, লংকাও দহিলা!

"তোমাৰ সৰ্ববিধ কাৰ্য্যয়েই ৰাৱণৰ মনত ভীতি সঞ্চাৰ বাৰাৱ উপৰিও আমাৰ লংকা-গমনৰ পথ সুগম কৰি তুলিছে, আমাৰ ৰঘুবংশৰ মংগল কৰিছে। মই যে তোমাৰ কেনেকৈ-কিমতে মান ধৰিম—তাকেহে ভাবি উলিয়াৰ পৰা নাই। মোৰ সীতাৰ প্ৰাণ ৰক্ষাকাৰী তোমাক মই যে কিহেৰে আদৰিম—একেবাৰেই ভাবি পোৰা নাই। তোমাৰ ঋণ কেনেকৈনো পৰিশোধ কৰিম? এই ঋণ সম্পূৰ্ণ

অপৰিশোধ্য !"

এই বুলি কৈ শ্ৰীৰামচন্দ্ৰই দুই বাহু মেলি হনুমানক বুকুত আঁকোৰালি ল'লে।

তাৰ পাছত ৰামচন্দ্ৰই উদাস দৃষ্টিৰে হনুমানলৈ চাই হনুমানক পুনৰ এই কথা ক'লে, বানৰ্‌সেনাই কেনেকৈনো সাগৰ পাৰ হৈ লংকা পাবগৈ ? এই কথা ভাবি মই তো কোনো উপায় চিন্তিব পৰা নাই। হে পৰমপ্ৰিয় হনুমন্ত ! সাগৰ পাৰ হোৱাৰ উপায় কি মোক বুজাই কবনে ?"

হনুমানে শ্ৰীৰামচন্দ্ৰৰ এই প্ৰশ্নৰ উত্তৰ নৌ দিয়তেই এই কথাৰ উত্তৰত বানৰৰাজ সুগ্ৰীৱে ৰামচন্দ্ৰক ক'লে :

"হে মিত্ৰ, কিয় দুশ্চিন্তিত হৈছা ? সীতাৰ সন্তেদ আমি পালোঁ। শক্ৰুৰ অৱস্থান তথা সীতাৰ অৱস্থানো জানিলোঁ। গতিকে—এতিয়া আৰু আমাৰ আগত সিমান সমস্যা নাই—নহ'ব যেন লাগে। আমি ৰণক ৰধি সীতাক উদ্ধাৰি আনিম। আমি সাগৰৰ বুকুত সেতু সাজি সাগৰ পাৰ হ'ম। তুমি এই কথাত একেবাৰে চিন্তা নকৰিবা, সামান্যতম দুশ্চিন্তিতো নহ'বা। যদি সাগৰক সেতুৰে বান্ধিব নোবাৰোঁৱেই, নিশ্চয় অন্য উপায় ওলাব। ৰাৱণ পৰাজিত আৰু নিহত হ'ব, আৰু তুমি যে নিশ্চয়েই বিজয়ী হ'বা—এই কথা সাৰো-সাৰ বুলি জানিবা "

শ্ৰীৰামচন্দ্ৰই হনুমানলৈ চাই সুধিলে, "সাগৰৰ বুকুত সেতু সাজি, বা সাগৰক সম্পূৰ্ণৰূপে শুষ্ক কৰি, নাইবা পুনৰ তপস্যাৰ বলেৰে আমি লংকা পাৰ কৰিমগৈ নিশ্চয়। এতিয়া কোৱা—লংকা নগৰীত কিমান দুৰ্গ আছে ? তাত সৈন্য-সংখ্যা কিমান ? লংকাৰ নিৰাপত্তা—তথা সুৰক্ষা-ব্যৱস্থা কেনেকুৱা ? লংকা নগৰীৰ চাৰিওফালৰ প্ৰাকাৰ আদিৰ ব্যৱস্থা কি ? এইবোৰ মোক সবিস্তাৰ কোৱা !"

ৰামচন্দ্ৰৰ প্ৰশ্নৰ উত্তৰত হনুমানে ধীৰে-সুস্থিৰে ভাবি ভাবি ক'লে :



"লংকা নগৰী এক সুবিশাল নগৰী। এই নগৰীত অসংখ্য ৰাক্ষস-ৰাক্ষসী সুখে-সন্তোষে জীয়াই আছে। লংকাৰ বাটে-পথে সকলোতেই ৰথ, হস্তী, অশ্ব বিচৰণ কৰিছে। লংকা পুৰীলৈ শত্ৰুৰ প্ৰবেশ বৰ সহজ কাৰ্য্য নহয়। লংকা নগৰৰ চাৰিখন প্ৰবেশদ্বাৰ। এই প্ৰবেশদ্বাৰ অতি মজবুত আৰু সুৰক্ষিত। প্ৰতিখনৰ দ্বাৰৰ ওপৰত বাণ আৰু শিলাখণ্ড উৎক্ষিপ্ত কৰাৰ কাৰণে বিৰাট বিৰাট যন্ত্ৰ আছে। এই দ্বাৰেদি শত্ৰু প্ৰবেশ কৰিব খোজা মাত্ৰেই এইবোৰ যন্ত্ৰয়েই সেইবোৰ শত্ৰুক সম্পূৰ্ণৰূপে ধ্বংস কৰিব।

প্ৰবেশদ্বাৰবিলাকৰ ইফালে-সিফালে বীৰ ৰাক্ষসসেনাইঁত সদাজাগ্ৰত। এই নগৰৰ চাৰিও দিশ অতি উচ্চ উচ্চ প্ৰাকাৰেৰে আগুৰা হৈছে। প্ৰাকাৰবোৰ স্বৰ্ণমণ্ডিত আৰু মণি-মুক্তা-খচিত। এই ওখতকৈয়ো ওখ প্ৰাকাৰ অতিক্ৰম কৰি নগৰলৈ প্ৰবেশ কৰাটো প্ৰায় অসাধ্য কৰ্ম। তদুপৰি আছে সুবিশাল-সুদীৰ্ঘ গড়খাৰৈ, লংকা-নগৰীক আগুৰি ৰখা এই গড়খাৰৈবোৰ অতিক্ৰম কৰা বাস্তৱিকেই নিৰতিশয় দুঃসাধ্য কাম।

আৰু এই গড়খাৰৈবিলাকৰ আঠাই পানীত আছে বিৰাট তেজপিয়া—দেখাত মাছৰ দৰে — মগৰমচ্ছ নামৰ জন্তু, বিশালকাৰ — মানুহ বানৰ-আনকি ৰাক্ষসকো চকুৰ পচাৰতে গিলি খাব পৰা ৰাঘ-বৰালি আদি।

সৌন্দৰ্য্যময়ী লংকা নগৰীৰ চাৰিখন প্ৰবেশদ্বাৰৰ ওচৰত আছে এই সুবিশাল গড়খাৰৈ পাৰ হ'ব পৰা সেতু। এই সেতুবোৰ বিৰাট বিৰাট যন্ত্ৰইহে নিয়ন্ত্ৰণ কৰিছে।

ৰাক্ষসৰজা ৰাৱণ তেওঁৰ ৰাজ্যৰ নিৰাপত্তাৰ বিষয়ে সদাজাগ্ৰত। যুদ্ধৰ কোনো আশংকা নথকা কালতো তেওঁ তেওঁৰ সৈন্যবাহিনীক সতত প্ৰশিক্ষণ প্ৰদান

কৰে। লংকা-নগৰী ত্ৰিকুট পৰ্বতোপৰি অৱস্থিত। পৰ্বতৰ তলদেশৰপৰা ওপৰলৈ যাবলৈ কোনো বাট-পথ নাই, সেই কাৰণে লংকানগৰী বহিৰ্জগতৰপৰা বিচ্ছিন্ন।—মই গড়খাৱৈ পাৰ হ'ব পৰা সেতুবোৰ ধ্বংস কৰিলোঁ, লংকা দহিলোঁ, ভালেমান বীৰ ৰাক্ষসক বধিলোঁ।

গতিকে—লংকানগৰীৰ আগৰ সেই অটুট সুৰক্ষা আজি আৰু নাই। সমুদ্ৰ আমি নিশ্চয় কেনেবাকৈ পাৰ হ'ব পাৰিম; লংকা-বিজয়ৰ বাবে আমাৰ অংগদ, দ্বিবিদ, মৈন্দ্য, জাম্বৱন্ত, বনস, আৰু লগতে আমাৰ সৈন্যাধ্যক্ষ নীল থাকিলেই যথেষ্ট হ'ব।

আৰু—এতিয়া অন্যচিন্তা পৰিহৰি কোনোবা এক শুভ মুহূৰ্তত ৰাক্ষসৰাজ্য লংকালৈ বুলি ৰাওনাহে কৰিব লাগে।"

হনুমানৰ এৱম্বিধ কথা শুনি ৰামচন্দ্ৰই সুগ্ৰীৱক ক'লে, "আমি এতিয়া-এই মুহূৰ্ততে লংকালৈ বুলি যাত্ৰা কৰিম। সূৰ্য্য এতিয়া শিৰোপৰি অৱস্থিত, এয়ে হ'ল আটাইতকৈ শুভ তথা শাস্ত্ৰমতে 'অভিজিৎ' মুহূৰ্ত।"

তৎমুহূৰ্ততে ৰামচন্দ্ৰৰ সৈতে বানৰসেনা লংকালৈ বুলি ওলাল।

বানৰবীৰ সকলৰ অন্যতম মহাকায় গজ, মহাবলী গৱয় আৰু গৱাক্ষ—সৈন্যদলৰ আগে আগে গৈ থাকিল। মহাবীৰ ঋষভে সোঁপাৰ্শ্ব আৰু গন্ধমাদনে বাওঁ পাৰ্শ্ব ৰক্ষা কৰি গৈ থাকিল।

আৰু নৰকুল-শিৰোমণি ৰামচন্দ্ৰই—সেনাপৰিবৃত অৱস্থাত হনুমানৰ বাহুৰ ওপৰত উঠি গৈ থাকিল, লক্ষ্মণ গৈ থাকিল অংগদৰ বাহুৰ ওপৰত বহি।

সকলো বীৰ বানৰ সৈন্য দক্ষিণ দেশলৈ বুলি গৈ থাকিল। বানৰ সৈন্যসকলে বিচিত্ৰ ধৰণে লম্ফ-জম্ফ কৰি—চিংকাৰি-চিঞৰি—সিংহনাদ কৰি কৰি লংকালৈ বুলি পৰম প্ৰত্যয়ৰে আগবাঢ়ি বাঢ়ি

আকাশ-বতাহ বিদাৰি গৈ থাকিল।

বিশাল-বিৰাট বানৰসৈন্যদলক এক মহাসাগৰ যেন বোধ হ'ল। পৰ্বত-নৈ-অৰণ্য অতিক্ৰমি এই বিশাল সৈন্যদলে মহেন্দ্ৰপৰ্বত পালেগৈ।

ৰামচন্দ্ৰই মহেন্দ্ৰপৰ্বতৰ চূড়ালৈ উঠি সীমাহীন সমুদ্ৰলৈ চালে।

চাৰিওফালে চাই চাই ৰামচন্দ্ৰই সুগ্ৰীৱ আৰু লক্ষ্মণক ক'লে, "ইয়াতে থলি লৈ আমি এই সুবিস্তীৰ্ণ সমুদ্ৰ অতিক্ৰম কৰাৰ কথা চিন্তা কৰা আৱশ্যক। আমি সকলোটিয়েই একেলগে লংকালৈ যাম, ভাগ ভাগ হৈ নাযাওঁ—এই কথা মনত ৰাখি আমি আমাৰ সমস্ত কৰণীয় কাৰ্য্য কৰিব লাগিব।"

এই সুবিস্তীৰ্ণ মহাসাগৰ সুগভীৰ জলৰাশি আৰু লগতে প্ৰলয়ংকৰ উত্তুংগ তৰংগমালালৈ চাই বহুতো বীৰ বানৰেও এই নিঃসীম নীল সলীল মহাজলধি পাৰ হোৱাৰ কথা ভাবি তৰধ মানিলে।

*

সিপিনে ৰাক্ষসনগৰী লংকা নগৰো উগুল-থুগুল।

এটা সামান্য বান্দৰে মহাপ্ৰতাপী—নৰৰ কথাই নাই—দেৱতাসকলেও ভয় কৰা ৰাক্ষস-ৰাজ ৰাৱণক বাৰুকৈ অপমান কৰি উচাট মাৰি গুচি গ'ল!

সেই বান্দৰটোৱে কেৱল এই অতি সুৰক্ষিত লংকানগৰলৈ সোমায়েই ক্ষান্ত নাথাকিল, বান্দৰটোৱে সীতাকো দৰ্শন কৰি গ'ল, চৈত্যপ্ৰাসাদ তচোনচো কৰি গ'ল আৰু এনে সুৰক্ষিত ৰাক্ষসৰাজ্যৰ অসংখ্য বীৰ ৰাক্ষসকো বধি নিৰ্বিবাদেই গুচি গ'ল!

ৰাজসভাত ৰাৱণে এই কথাকে সুধিলে, "এইবোৰ—মাত্ৰ এটা নগণ্য বান্দৰেই কৰিলে! এই কথা আচৰিত হ'লেও সম্পূৰ্ণৰূপে সত্য। এতিয়া আমি কেনেকৈ কি কৰিম? আমাৰ লংকাৰ সাৰ্বিক



নিৰাপত্তাৰ উপায় কি?"

আৰু ঠিক তেতিয়াই লংকা নগৰীয়ে সম্বাদ পালে যে—লংকা নগৰী তথা ৰাৱণৰজাক আক্রমণ কৰিবলৈ সাগৰৰ সিপাৰত সংখ্যাতীত বানৰসেনা, আৰু লগতে ৰামচন্দ্র স্বয়ং লক্ষ্মণক লগত লৈ তাত ৰৈ আছে!

*

ৰামচন্দ্ৰৰ সৈন্যবাহিনীয়ে যে সাগৰ পাৰ হ'ব পাৰিব—সেই কথাত ৰাৱণৰ মনত বিন্দুমাত্র সন্দেহ নাছিল।

এই বাতৰি পাই কিংকৰ্তব্যবিমূঢ় ৰাৱণে এতিয়া কি কৰ্তব্য বুলি সোধাত কিছুমান অল্পবুদ্ধি ৰাক্ষসনেতাই ক'লে, "মহাৰাজ! আমাৰ সেনা অগণন, আমাৰ যুদ্ধ-সামগ্রীও সংখ্যাতীত, গতিকে—কিহৰ কাৰণেনো আমি ইমান ভীত-সন্ত্রস্ত হ'ম? আৰু—যিস্থলত দেৱাদিদেৱ মহাদেৱৰ মিত্র কুবেৰো আপোনাৰ হাতত বেয়াকৈ পৰাজিত হ'বলগা হৈছিল—সামান্য নৰ ৰামনো বাৰু কেই আখি কলৰ ভকত? আমাৰ মহাবীৰ ইন্দ্ৰজিত বোপায়েই দেখোন সমস্ত বান্দৰক অতি সহজেই এবাণ মাৰি এবুধি শিকাব পাৰিব!"

প্রহস্তয়ো ৰাৱণৰজাক পূর্ণ ভৰসা দিলে। দুর্মুখে বানৰকুল অচিৰাৎ পুলিয়ে-পোখাই নির্মূল কৰাৰ প্রতিজ্ঞা ল'লে।

বজ্রদংষ্ট্রাই ৰাম-লক্ষ্মণক আৰু লগতে সুগ্রীবকো তেওঁৰ খেতৰ-সাইজ বিদ্যাৰে একেলগেই খতম কৰিব বুলি খাটাং কথা দিলে।

নিকুম্ভই বানৰমখাক ধৰি ধৰি খাই শেষ কৰাৰ বাবে কঠোৰতম প্রতিজ্ঞা ল'লে।

এইদৰে, সকলো ৰাক্ষস বীৰেই মহাপ্রতাপান্বিত ত্রিভুৱনবিদিত ৰাক্ষসৰাজ ৰাৱণক আশ্বস্ত কৰি নিজ নিজ অস্ত্র ধাৰণ কৰি দুৰ্বাদল ৰণলৈ সর্বতোপ্রকাৰে সাজু হ'ল।

উলুকাগাৰ প্ৰেম

বহু-বহু কালৰ আগৰ কথা। আফ্ৰিকাৰ অৰণ্যত থকা এক ক্ষুদ্ৰ উপজাতিৰ চৰ্দাৰৰ নাম আছিল উলুকাগা। অন্য এক উপজাতিৰ চৰ্দাৰৰ নাম আছিল ওহায়ো। এই দুই উপজাতিৰ মাজত সদায় সংঘৰ্ষ হৈছিল।

ওহায়োৰ দলত আছিল প্ৰচুৰ সংখ্যক যুঁজাৰু, তাৰ দলটো বিৰাট। কিন্তু মাত্ৰ কেইজনমান যুঁজাৰুক লৈ উলাকাগাই সদায় সংঘৰ্ষত বিজয়ী হৈছিল। কিয়নো — উলুকাগাই জানিছিল এক আদ্ভুত ঔষধ-ৰহস্য—যি ঔষধৰ বলত তাৰ দলৰ বেয়াকৈ আহত, বা মৃত্যুমুখী যুঁজাৰুও মুহূৰ্ততে সুস্থ হৈ উঠিছিল।

কিছুমান লতা-পাত আদি পগাই এনে এবিধ মলম তৈয়াৰ কৰিছিল যে— ওহায়োৰ দলৰ যুঁজাৰুৱে যিমানেই উলুকাগাৰ দলৰ যুঁজাৰুহঁতক আহত নকৰক, সেই আদ্ভুত ঔষধি মলম অকণমান লগোৱা মাত্ৰেই, আনকি শুঙিলেও আহত যুঁজাৰু মুহূৰ্ততে সুস্থ হৈ উঠিছিল। কেতিয়াবা কেতিয়াবা মৃত্যুৰ গৰাহৰপৰাও এই যাদু-ঔষধৰ গুণত ৰক্ষা পৰা হৈছিল। এই কাৰণে, ওহায়োৰ দলত ইমান সংখ্যক যুঁজাৰু থকা সত্বেও সদায়-উলুকাগায়েই বিজয়ী হৈছিল আৰু ওহায়োৰ যুঁজাৰুহঁত কুৰিয়ে কুৰিয়ে যমৰ আলহী হ'বলগা হৈছিল।

কিথেনজী আছিল উলুকাগাৰ পুতেক আৰু একমাত্ৰ পুতেক। কিথেনজী আছিল উলুকাগাৰ উপজাতিৰ ভৱিষ্যৎ চৰ্দাৰ। সেইহে—উলুকাগাই এই যাদু-ঔষধি



বনোৱাৰ কিটিপ কিথেন্‌জীক হুব পৰিশ্ৰম কৰি শিকাই দিলে।

এতিয়া উলুকাগাৰ দলত কেৱল বাপ-বেটাইহে এই যাদু-ঔষধৰ ৰহস্য জানে। এই বাপ-বেটাৰ বাহিৰে আনকি এই উপজাতিৰো আন কোনেও নাজানিছিল এই ঔষধ-ৰহস্যৰ উহ — সেই কথা ওহায়োই গম পালে।

তাৰ পাছত—এদিন ওহায়োৰ বছা বছা অনুচৰ কেইজনমানে উলুকাগা আৰু তাৰ পুতেক কিথেন্‌জীক অপহৰণ কৰি এক পাহাৰৰ টিঙলৈ লৈ গ'ল। এই দুজনক মাৰি পেলোৱাৰ কোনো ইচ্ছা ওহায়োৰ নাছিল। ভাবি-চুকিৰে মাত্ৰ এই ঔষধ প্ৰস্তুত কৰাৰ কিটিপহে জানিব খুজিছিল ওহায়োই।

পাহাৰৰ টিঙত এচটা থিয়দঙা শিলৰ লগত উলুকাগা আৰু তাৰ পুতেক কিথেন্‌জীক কটকটীয়াকৈ বান্ধি থোৱা হৈছিল। ওহায়োৰ অনুচৰবিলাকে এই দুজনক নানা ভাবে জেৰা কৰি থাকিল, এই দুজনৰ ওপৰত নানা ধৰণে অত্যাচাৰ কৰি থাকিল, ভৰিৰ তলুৱাত জোঙা জোঙা অস্ত্ৰ:ৰ খুচি থাকিল, জ্বলন্ত জোঁৰেৰে দেহৰ নানা ঠাইত পুৰি থাকিল কিন্তু তথাপি উলুকাগা বা কিথেন্‌জীৰ মুখৰপৰা সেই যাদু-ঔষধৰ বিষয়ে এটা শব্দও নোলাল।

তেতিয়া ওহায়োৰ ঘাই অনুচৰটোৱে কিচকিচকৰে ক'লা বিৰাট বিৰাট দুটা বিছা লৈ আহিল। এই বিছা আছিল আফ্ৰিকাৰ অৰণ্যৰ সাপতকৈয়ো ভয়ংকৰ। এই বিছাই দংশন কৰা মাত্ৰেই মৃত্যুৰ গৰাহত পৰিব লাগিব।

এই বিছা দেখামাত্ৰেই কিথেন্‌জী কঁপি উঠিল। পুতেকৰ এই অৱস্থালৈ চাই উলুকাগাই উপায় এটা চিন্তিলে।

ওহায়োই কঠুৱা মাতেৰে উলুকাগাক সুধিলে, "কি, এতিয়াও সেই যাদু-ঔষধৰ

ৰহস্য ক'বানে বিছাৰ দংশনত মৰিবা? এই বিছা—কিজানি জানাই—জীয়া-যম। কৈ দিয়া—গুচি যোৱা, নহ'লে তুয়ো যমৰ আলহী হোৱা।"

উলুকাগাই ভয়ৰ কোবত ঘামি-জামি লুতুৰি-পুতুৰি দিয়া পুতেক কিথেন্‌জীলৈ আকৌ এবাৰ চ'লে আৰু তাৰ পাছত ওহায়োক ক'লে, "শুনা, মই আমাৰ উপজাতীয় নিয়ম-কানুন কিছু মানি চলিব লাগিব। এই যাতু ঔষধৰ ৰহস্য নিজৰ দলৰো আন কাৰো আগত প্ৰকাশ নকৰিম —গুৰুৰ ওচৰত এই প্ৰতিজ্ঞা কৰিছিলোঁ। গতিকে—কাম এটা যদি কৰিব পাৰা— এই ঔষধ-ৰহস্য মই ব্যক্ত কৰিম। তুমি মোৰ পুত্ৰক মাৰি পেলোৱা। তেতিয়াহে মই এই যাতু-ঔষধৰ ৰহস্য কৈ দিম। তাক মাৰি পেলোৱা যদি—মই যে এই গুপ্ত ৰহস্য ব্যক্ত কৰিলোঁ—সেই কথাৰ কোনো সাক্ষী নাথাকিব আৰু মোৰ উপজাতিয়ে মোকো সন্দেহ নকৰিব।"

উলুকাগাৰ কথাটো ওহায়োই ভাবি চালে আৰু তাৰ আদেশক্ৰমে কিথেন্‌জীক অনুচৰ এটাই কঁড়িয়াই মাৰি পেলালে।

তাৰ পাছত ওহায়োই যেতিয়া উলুকাগাৰপৰা যাতু-ঔষধৰ ৰহস্য জানিব খুজিলে তেতিয়া উলুকাগাই ক'লে, "নিশ্চয়, নিশ্চয় ক'ম। তোমালোকে ক'লা বিছা লৈ অহাত মোৰ ল'ৰাটোৱে ইমান ভয় খাইছিল যে সি নিশ্চয় কৈয়েই দিলেহেঁতেন। সি নিশ্চয় বিশ্বাস ঘাতকতা কৰিলেহেঁতেন আমাৰ জাতিৰ লগত। সেইহে—তাক মই নিজেই হত্যা কৰিলোঁ বুলি ক'ব পাৰি। কিন্তু তাৰ দৰে ময়ো মৃত্যুভয়ত এটা জাতিৰ সন্মান বিনষ্ট কৰিম বুলি আশা নকৰিবা, ওহায়ো—।" এই বুলি কৈয়েই উলুকাগাই পাহাৰৰ সুউচ্চ চূড়াৰপৰা অকস্মাৎ অতল গহ্বৰলৈ জঁপ মাৰি নোহোৱা হৈ গ'ল।



বান্দৰাণী

বহু পুৰণিদিনৰ কথা। তেতিয়া কাঞ্চীপুৰ ৰাজ্যৰ ৰজা আছিল কনকসেন। মহাৰাজ কনকসেন আছিল অতি বিলাসিতাপ্ৰিয় ৰজা। নানান দেশৰপৰা নানান ফল-ফুল বৃক্ষাদি অনাই তেওঁ কেৱল ৰাজ-উদ্যানেই নহয়, ৰাজপ্ৰসাদ-ৰাজসভাও সজাইছিল।

মহাৰাজ কনকসেনে তেওঁৰ পৰমপ্ৰিয় উদ্যানত এটি অতি বৃহৎ সৰোবৰো খন্দাইছিল আৰু এই সৰোবৰৰ চাৰিও পাৰতে নানান ধৰণৰ বিৰিখেৰে সুশোভিত কৰি তুলিছিল।

এদিন কাঞ্চীপুৰৰ মহাৰাণীয়ে এই সৰোবৰত স্নান কৰোঁতে গাত থকা ৰত্নালংকাৰ আৰু ডিঙিত থকা সাতসৰীধাৰ, লিগিৰী এজনীৰ হাতত দিলে।

লিগিৰীয়ে গহনাখিনি সৰোবৰৰ পাৰত থৈ, পাৰতে থকা ফুলগছৰপৰা ফুল বুটলিবলৈ ধৰিলে। এনেতে—এজোপা গাছত বহি থকা বান্দৰী এজনীয়ে এক লম্ফে গছৰপৰা নামি আহি সেই সাতসৰীধাৰ লৈ গুচি গ'ল।

লিগিৰীয়ে বান্দৰীৰ কাণ্ড নিশ্চয় নেদেখা নহয়। মহাৰাণীয়ে স্নান সমাপন কৰি ৰত্নালংকাৰখিনি লিগিৰীৰপৰা খুজি ল'লে; কিন্তু বহুমূল্য সাতসৰীধাৰ বিচাৰি নাপাই লিগিৰীক সোধাত লিগিৰীয়ে ক'লে, "আপোনাৰপৰা অলংকাৰখিনি ইয়াতে থৈ ফুল বুটলি আছিলোঁ মই। সাতসৰীৰ কি হ'ল, কোনে নিলে— একোকে মই নেজানো।"

মহাৰাণীয়ে কথাটো মহাৰাজক তেতিয়াই ক'লেগৈ। মহাৰাজে তেওঁৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মহামন্ত্ৰীক মতাই অনালে আৰু ঘটনাৰ বিবৰণ বিবৰাৰ অন্তত ক'লে যে—বেলি মাৰ যোৱাৰ আগতেই এই সাতসৰীৰ চোৰ ধৰিব লাগিব। ৰজাই ক'লে মন্ত্ৰীক, মন্ত্ৰীয়ে ক'লে দণ্ডনায়কক, দণ্ডনায়কে ক'লে কতোৱালক — বেলি মাৰ নৌ যাওঁতেই চোৰক সাতসৰীৰে সৈতে ধৰি আনিব লগে!

কতোৱালে কত কত যে চিপাহীক লগত লৈ ক'ত ক'ত চোৰ ধৰিবলৈ গ'ল যে— তাৰ সীমাসংখ্যা নাই; কিন্তু চোৰকহে বিচাৰি পাবলৈ নহ'ল। কতোৱালে ভাবিলে: সাতসৰীৰ চোৰ ধৰাটো উৰহীৰ ওৰ বিচাৰি পোৱাতকৈ কম জটিল নহ'ব। কিন্তু এই চোৰটো যে জকৰ ফটা-ছিঙা কাপোৰ-কানি পিন্ধা দঢ়ীয়া তুখীয়া এটা হ'ব—সন্দেহ নাই।

গোটেইখন ৰাজধানী চলথ কৰিও যেতিয়া চোৰৰ ওৰ বিচাৰি পোৱা নগ'ল, তেতিয়া কতোৱালে বেলি মাৰ যোৱাৰ কিছু আগতে ফটা-ছিঙা কাপোৰ-কানি পিন্ধা দঢ়ীয়া বুঢ়া এটাক বাটতে পাক্‌ড়াও কৰি লৈ গ'ল। বুঢ়াই সুধিলে, "হুজুৰ! মোৰনো কি অপৰাধ?"

"অপৰাধৰ কথাই নুঠে।" কতোৱালে ক'লে. "আচল কথা হ'ল--মহাৰাজৰ আদেশ পালন কৰিব লগিব, কোনোবা এটাক ধৰিব লাগিব।" দঢ়ীয়া বুঢ়াই একো নুবুজা হৈ মনে মনে থাকিল।

স্বয়ং মহাৰাজে দঢ়ীয়া বুঢ়াক সুধিলে, "সাতসৰী ক'ত লুকাই ৰাখিছা?"

দঢ়ীয়া বুঢ়াই ভাবিলে: চোৰ নহওঁ বুলি ক'লে কোনো লাভ নহ'ব। মহাৰাজৰ আৰু খংহে উঠিব। গতিকে—

গতিকে সি বুঢ়াই ক'লে, "মহাৰাজ, সাতসৰী—ধন-ভঁৰালীক দিলোঁ। তৎক্ষণাৎ ধন-ভঁৰালীক টানি-চুঁচাৰি লৈ অহা হ'ল। ধন ভঁৰালীয়ে কৈ দিলে, "মহাৰাজ, সেই, সাতসৰীধাৰ আমাৰ ৰাজজ্যোতিষীক



দিলোঁ মই।"

তেতিয়া ৰাজজ্যোতিষীক কটকটীয়াকৈ বান্ধি লৈ অহা হ'ল। ৰজাই সুধিলে যে তেওঁ মহাৰাণীৰ সাতসৰীধৰ ক'ত লুকাই থৈছে। আৰু—আনকেজনে কোৱাৰ দৰে জ্যোতিষীয়েও ক'লে, "সেই সাতসৰীধাৰ মই মন্ত্ৰীপুত্ৰক দিলোঁ।"

এইবোক জেৰা কৰোঁতে বহু সময় পাৰ হ'ল। ৰজাৰ ভোক লাগিছিল। তেওঁ ৰাজসভা পুনৰ কালিলৈ বহিব বুলি ঘোষণা কৰি ভাতমুঠি খাবলৈ ৰাজসভা এৰি গুচি গ'ল।

ৰাতিৰ পৰতে মহামন্ত্ৰীৰ টোপনি নহা হ'ল। সাতসৰী আৰু তাৰ চোৰৰ কথা চিন্তি চিন্তি তেওঁৰ মূৰেদি ধনঞ্জয় বায়ু উৰিল। মাজ নিশা তেওঁ চোৰ বুলি ভবা বিলাকক আটক কৰি ৰখা ফাটকলৈ গ'ল আৰু তাত তেতিয়া চলি থকা এইবোৰ কথা-বাৰ্তা শুনিলে ঃ

সেই দঢ়ীয়া বুঢ়াই ধন-ভঁৰালীক কৈ আছিল, "মোক মাফ কৰক খাজাঞ্চীজী! ৰজাৰ দণ্ডৰ হাত সাৰিবলৈহে আপোনাৰ নাম কৈছোঁ মই। আচলতে সাতসৰী কি —তাকেই মই নাজানো।"

ধন ভঁৰালীয়ে ৰাজজ্যোতিষীক ক'লে, "আপুনি নিশ্চয় বুজিছে যে মই নিজৰ প্ৰাণ বঁচাবলৈহে তেনেকৈ কৈছোঁ। সাতসৰীৰ খবৰ মই কেনেকৈ জানিম? কিন্তু দুৰ্বুদ্ধিয়ে বাহ লোৱা মহাৰাজক কোনেনো বুজাব পাৰিব এই কথা?"

জ্যোতিষীয়ে ক'লে, "মোৰো কথা একেটাই। নিজে সাৰিবলৈ মন্ত্ৰীপুত্ৰৰ কথা ক'লোঁ। আন একো উপায় কৰিব নোৱাৰি দিলোঁ তিথিৰ মূৰত পানীচলু!"

এইবোৰ কাণসৰালি মাৰি শুনাৰ অন্তত মহামন্ত্ৰী সেই দুপৰ নিশাতে মহাৰাজৰ কাষ চাপিল আৰু শুনা কথাখিনি হুবহু মহাৰাজক ক'লে।

মহামন্ত্ৰীৰ কথাখিনি শুনি মহাৰাজে

দীঘলকৈ হামিয়ালে আৰু পুনৰ বিছনাত দীঘল দিলে।

ৰাতিপুৱা মহাৰাজে সেই লিগিৰীজনীক চকু পকাই সুধিলে, "সাতসৰীৰ কথা হয় সঁচা ক'ৰি—নহ'লে তোক কাটি টুকুৰা-টুকুৰ কৰি শগুণক খাবলৈ দিম।"

লিগিৰীজনীয়ে ভয় খাই প্ৰকৃততে হোৱাখিনি কৈ দিলে।

মহাৰাজে কোমলকৈ কিন্তু গম্ভীৰতাৰেই সুধিলে, "বাৰু, তুমি সেই বান্দৰীজনীকে সন্দেহ কৰিছা কিয়? সেই বান্দৰীজনী দেখাত তোমাতকৈ ধুনীয়ানে?"

"নহয়, মহাৰাজ! কিন্তু— বান্দৰীৰ প্ৰতি মোৰ সন্দেহৰ কাৰণ এয়ে যে—বান্দৰীজনীয়ে আমাৰ মহাৰাণীক নকল কৰি আছিল। তেওঁ গা ধুবলৈ লোৱাত বান্দৰীয়েও গা ধুইছিল, মহাৰাণীয়ে যেনেকৈ খোজ-কাটল দিছিল—বান্দৰীয়েও তেনেকৈ খোজ-কাটল দিবলৈ চেষ্টা কৰিছিল। আৰু তেওঁৰ দৰে মিচিক-মাচককৈ হাঁহিবলৈকো চেষ্টা নকৰাকৈ নাছিল।" লিগিৰীয়ে ক'লে।

লিগিৰীৰ কথাত ৰজাৰ উঠিল খং। তেওঁ ভাবিলে : লিগিৰীজনীক শূলত দিব লাগিব।—কিন্তু শূলত দিলে সাতসৰীৰ কি হ'ব? গতিকে—

গতিকে তেওঁ শান্ত কণ্ঠেৰেই ক'লে তাইক, "তেনেহ'লে—সাতসৰীধাৰ সেই

বান্দৰীয়েই বান্দৰামী কৰি লৈ গ'ল বুলিহে তুমি ক'ব খুজিছানে কি? কিন্তু— বান্দৰীৰপৰা সাতসৰী উদ্ধাৰ কৰাৰ উপায় কি তেন্তে?"

"উপায় আছে, মহাৰাজ! অতি সহজ উপায়।" লিগিৰীজনীয়ে মিচিক-মাচাককৈ হাঁহি হাঁহি ক'লে।.

"সহজ উপায়?—কোৱাচোন?"

"মহাৰাজ, শুনিলে কিজানি মোৰ ওপৰত আপোনাৰ উগ্ৰ খং উঠিব, তথাপি ক'বই লাগিব। এটা বান্দৰ ক'ৰবাৰপৰা যোগাৰ কৰিব লাগিব, আৰু সেই বান্দৰটোক সাইলাখ আপোনাৰ—মানে—ৰজাৰ দৰে সজাই সৰোবৰৰ পাৰলৈ লৈ যাব লাগিব। তেতিয়া হয়তো আমাৰ কাম সিজিব।" লিগিৰীয়ে ক'লে।

লিগিৰীৰ কথাৰ মাজত কি ইংগিত আছে—মহাৰাজে ঠাৱৰ কৰিব পাৰিও লিগিৰীক একো নক'লে। লিগিৰীয়ে যে তেওঁকেই এটা বান্দৰ আৰু মহাৰাণীক এজনী বান্দৰী বুলি কৈছে—সেই কথা বুজাত মহাৰাজৰ পলম নহ'ল। তথাপি এই বাবে তেওঁ লিগিৰীজনীক একো ক'ব বা কৰিব নোৱাৰিলে।

ডাঙৰ চাই বান্দৰ এটা লৈ আহা হ'ল আৰু সেই বান্দৰটোক ৰজাৰ সাজ-পাৰ পিন্ধাই সৰোবৰৰ পাৰত থকা উদ্যানলৈ লৈ যোৱাৰ প্ৰায় লগে লগেই এজোপা পিপলি গছৰপৰা জাঁপ মাৰি সেই বান্দৰীজনী তললৈ নামি আহিল আৰু তাতে খোৰোং এটাৰ ভিতৰত লুকাই থৈ দিয়া সাতসৰীধাৰ উলিয়াই অনাৰ লগে লগেই ৰজাৰ চিপাহীবিলাকে চুৰুণী বান্দৰীক খেদা দিয়াত তাই সাতসৰী দলিয়াই পেলাই পুনৰ এক লম্ফে গছ এজোপাত উঠিলগৈ, আৰু লগতে ৰজা বান্দৰটোৱে জাঁপ এটা মাৰি বান্দৰীৰ কাষ পালেগৈ।

যোগ্য দৰা

ৰামশৰ্মাদেৱ হ'ল বিজয়পুৰী ৰাজ্যৰ ৰাজ-জ্যোতিষী। এদিন সূৰ্য্যোদয়ৰ কালত নৈত স্নান সমাপনান্তে তেওঁ যেতিয়া গৃহলৈ বুলি খোজ ল'লে, তেতিয়া এজোপা গছৰ ডালত যুৱক এজনে চিপজৰী লোৱা দেখা পালে। ৰামশৰ্মাই যুৱকক টান মাতেৰে সুধিলে, "কোনহে তুমি? ক'ত থাকা?"

"মোৰ নাম বীৰবাহু। ঘৰ মোৰ বন্ধাগাঁৰত।" যুৱকে ৰামশৰ্মাক ক'লে।

"মোৰ ধাৰণা — তোমাৰ বয়স পঁচিছতকৈ বেছি নহ'ব। তেনেস্থলত তুমি চিপজৰী লৈছা কিয়?" ৰামশৰ্মাই সুধিলে।

"যিজনীক মই প্ৰাণতকৈও অধিক ভাল পাই পেলাইছোঁ, সেইজনীকে যদি পত্নী হিচাপে নাপাওঁ—এই জীৱনৰ মূল্য কি?" বীৰবাহুৱে দুখেৰে ক'লে।

"অ—এয়ে হ'ল কথা! ঠিক আছে, মোক তোমাৰ হাতখন দেখুৱাচোন চাওঁ—।"

ৰামশৰ্মাৰ নাকৰ আগত বীৰবাহুৱে হাতখন মেলি ধৰিলে। কিছুপৰলৈ হাতখনত টিপি-টিপি চাই, মনতে কিবাকিবি হিচাপ-টিচাপ কৰি, ৰামশৰ্মাই কৈ থাকিল, "তোমাৰ দেখোন বিৰাট বিবাহযোগ। আৰু বিয়া হ'ব সেইজনী ছোৱালীৰে যিজনীক তুমি ভাল পাইছা।"

"হয়নে? কিন্তু—আপোনাৰ কথাত পতিয়ন যাওঁনো কোনেকৈ?"

"শুনা, মই হ'লোঁ ৰামশৰ্মা, বিজয়পুৰী ৰাজ্যৰ ৰাজ-জ্যোতিষী।" ৰামশৰ্মাই ক'লে।

"হ'ল বাৰু। পিছে মই অব্ৰাহ্মণ, আৰু মই যিজনীক ভাল পাওঁ—ব্ৰাহ্মণ।

প্ৰকাশ পাঠক

কেনেকৈ কিহ'ব?" বীৰবাহুৱে সুধিলে।

"শুনা, কপালৰ আঁক কোনেও মচিব নোৱাৰে। আৰু—দৰাক লাগে গুণ আৰু স্বভাৱ-চৰিত্ৰ, কুল-বংশ কোন ডাঙৰ কথ নহয়।" ৰামশৰ্মাই ভৰসা দিলে।

"কথা এটা আৰু আছে। সেই ছোৱালী-জনীৰ পৰিয়াল হ'ল ধনী পৰিয়াল, আৰু আমাৰ হ'ল হা-তে কা তোলা!"

"ছোৱালীৰ দেউতাৰ যদি ধনী, তোমাক তেৱেঁই সামান্য ধন দিলেই তুমিও ধনীৰ শাৰীলৈ উঠিবা নহয়?"

"ঠিক কথা কৈছে। কিয়নো—ছোৱালীৰ দেউতাৰ হ'ল এগৰাকী ডাঙৰ ৰাজ-কৰ্মচাৰী। মই পঢ়া-লিখা নজনা নহয়, জানো। কিন্তু হ'লে কি হ'ব—মই একেবাৰেই বেকাৰ, কিয় কোনোবাই দহটকীয়া নোহোৱা কাৰোবাক জোঁৱাই হিচাপে ল'ব?" বীৰবাহুৱে ক'লে।

"ইও কোনো সমস্যা হ'লনে? তোমাৰ হ'ব ধৰা শহুৰ-দেউতাৰেই দেখোন তোমাক ৰজাৰ তলত কিবা এটা কৰি দিব পাৰিব।" ৰামশৰ্মাই ক'লে।

"আপোনাৰ কথাত মই চিপজৰী বাদ দি ঘোচামৰ জৰী ল'বলৈ মন মেলিবলৈ ভাল পোৱা হৈছোঁ আৰু বিশ্বাসী হৈছোঁ যে—মই হিয়া দিয়াজনীকে মই বিয়া কৰাব পাৰিম।" বীৰবাহুৱে ক'লে।

"নিচয় পাৰিবা; এতিয়া কোৱা—সেই ছোৱালীজনী কোন? ক'ত থাকে?"

"সেই ছোৱালীজনী হ'ল আপোনাৰেই মাজু ছোৱালী কাবেৰী!"

"বাঃ। বাৰে বাঃ! মাছৰ তেলেদি মাছ ভাজিছা! শেইলৈ মোকেই ফান্দত পেলালা!" হাঁহি হাঁহি ৰামশৰ্মাই ক'লে।

তাৰ পাছত এদিন ৰামশৰ্মাই-বীৰবাহুৰ সৈতে কাবেৰীৰ যোৰা পাতি দিয়াৰ দিহা ল'লে। বীৰবাহুৰ বুদ্ধি-কৌশল আৰু বাক্‌চাতুৰ্য্য ৰামশৰ্মই বৰ ভাল পাইছিল।

নায়াগ্ৰাৰ নঘট-ঘট

নায়াগ্ৰা জলপ্ৰপাতৰ কথা বিশ্ববিদিত। এই মহাজলপ্ৰপাত একযোগে আমেৰিকা আৰু কেনাডাৰপৰাও দেখা যায়। ভূতাত্ত্বিকসকলৰ মতে: এই মহাজলপ্ৰপাত এদিন পৃথিৱী-পৃষ্ঠৰপৰা নোহোৱা হ'ব—কিন্তু এতিয়াই নহয়! চূণশিলৰ ওপৰত বিগত ১০০০০ বছৰ ধৰি পৰা এই পানী অহা ২০০০০ বছৰৰ ভিতৰত এই নায়াগ্ৰা জলপ্ৰপাত গুচি এখন নৈলৈ পৰিৱৰ্তিত হোৱাৰ সম্ভাৱনা আছে!

দক্ষিণ মেৰুৰ চৰাই—পেংগুয়িন

আন্টাৰ্কটিকা—এই ভূখণ্ডৰ নাম মনৰ দাপোণত ভাহি উঠাৰ লগে লগেই চুটি চুটি ঠেঙেৰে খপজপকৈ ফুৰা ডাঙৰ আকৃতিৰ চৰাই পেংগুয়িনৰ কথাও মনত পৰে। দক্ষিণমেৰুৰ এই অভিনৱ পক্ষীৰ চিন-মোকামও কিন্তু উত্তৰ মেৰুত পাবলৈ নাই। দক্ষিণমেৰুত সোতৰ বিধ পেংগুয়িন পৰিলক্ষিত হয়।

নাখায়, চেলেকে!

মকৰাবিলাকে খায়নে শোহেনে চেলেকে? মকৰাই খাব নোৱাৰে, চেলেকিব বা শুহিবহে পাৰে। এবিলাকৰ নলীৰ দৰে জোঙা মুখেৰে পি-খাব চেলেকি শোহা মাৰিবহে পাৰে, খাব নোৱাৰে। মুখৰপৰা ওলোৱা লালটিৰে ইইতে খাদ্য তিয়াই গলাই পনীয়া কৰি লৈ শুহি বা চেলেকিহে খায়! টাৰাণ্টুলা নামৰ এবিধ মস্ত মকৰাই এটা এন্দুৰ বা সৰু চৰাই এটিক এইদৰে লালটিৰে তিয়াই-গলাই এদিনতে চেলেকি খাব পাৰে!

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

Devidas Kasbekar

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব । ১৯৯২ চনৰ জানুআৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব । উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব ।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব ।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ নভেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ওজ-বাজ ওজন   দ্বিতীয় ফটো : মনোৰঞ্জন

প্ৰভাতী শইকীয়া, তেজপুৰ, দৰং, অসম ।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 93.00 ● উৰাজাহাজ-যোগে 168.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 99.00 ● উৰাজাহাজ-যোগে 168.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছ্‌লৈ পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ্** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest
selling sweets
Visesh/NC/9090/Ass